সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ৪৪ সংখ্যা, ১৫ কাতি, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 44 Date of Publication- 2 November 2025 Rs. 10.00/-

## এছআইটিয়ে ১০ ডিচেম্বৰৰ ভিতৰত আদালতত দাখিল কৰিব চাৰ্জশ্বীটঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৱে অগণিত গুণমুগ্ধ-অনুৰাগীক আজিও শোকস্তব্ধ কৰি ৰখাৰ মাজতে এছআইটিৰ তদন্ত সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সাংবাদিকৰ আগত এছআইটি তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, এছআইটিয়ে বহুত ভাল পথত আগবাঢ়িছে। বহু বিস্ফোৰক তথ্য আমাৰ হাতত পৰিছে। অহা ১৭ ডিচেম্বৰ অন্তিম তাৰিখ। কিন্তু মই ভাবোঁ ১০ ডিচেম্বৰৰ ভিতৰত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক ৰাইজৰ সন্মুখলৈ আনিব পাৰিম। ক'ৰবাত ক'ৰবাত অসমৰ ৰাইজ আচৰিতো হ'ব। অলপ অলপ দুখো পাব-কষ্টও পাব। লগতে খঙো উঠিব। কিন্তু ১০ (দহ পৃষ্ঠাত চাওক)

## মহিলা এদিনীয়া বিশ্বকাপৰ খিতাপ যুঁজত আজি ভাৰত-দক্ষিণ আফ্ৰিকা




ৰঙিলী বাৰ্ত্তাসেৱা- আজি মহিলা ক্ৰিকেট বিশ্বকাপৰ মহাৰণ। মাজতে মাথোঁ কেইটামান ঘণ্টা। নতুন চেম্পিয়নক আদৰিবলৈ সাজু হৈছে বিশ্ববাসী। প্ৰায় এমাহ ধৰি চলা আইচিচি মহিলা এদিনীয়া বিশ্বকাপৰ ফাইনেল মেচখন আজি নবী মুম্বাইৰ ডি বাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। দিনৰ ৩ বজাৰ পৰা আৰম্ভ হ'ব ফাইনেল মেচখন। প্ৰথমবাৰৰ বাবে মহিলাৰ এদিনীয়া বিশ্বকাপৰ ফাইনেলত মুখামুখি হ'ব ভাৰত আৰু দক্ষিণ আফ্ৰিকা। ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা দলটোৱে দুবাৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও দুয়োবাৰে ৰানাৰ্ছ আপতে সন্তুষ্ট ( তিনিপৃষ্ঠাত চাওক)

## 'ৰৈ ৰৈ বিনালে' চাই দিছপুৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ বিকাশ অসমৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত দিছপুৰ থানাত আত্মসমৰ্পণ বিকাশ অসমৰ। আত্মসমৰ্পণৰ পিছতেই বিকাশ অসমক গ্ৰেপ্তাৰ কৰে দিছপুৰ আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ২৫ অক্টোবৰত মহানগৰীৰ বৰবাৰীৰ প্ৰতীক্ষা হাস্পতালৰ সমীপৰ পৰা ৰাহুল মিশ্ৰ নামৰ এজন লোকক অপহৰণ কৰি ধন দাবী কৰাৰ অভিযোগত দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল বীৰ লাচিত সেনাৰ ৫জন সদস্য ক্ৰমে- বিশ্বজিৎ দলে, ইনজামুল হক, মোহন বৰা, বিৰাজবল্লভ কলিতা আৰু নিতু আহমেদক। তাৰ পিছতে সেইদিনাখনে দিছপুৰ আৰক্ষীয়ে মহানগৰীৰ ( দুই পৃষ্ঠাত চাওক)

## জনজাতিকৰণৰ দাবীত শিৱসাগৰ-ডিব্ৰুগড়-সোণাৰিত টাই আহোমৰ বিশাল জোঁৰ সমদল





ৰঙিলী বাৰ্ত্তাসেৱা- জানজাতিকৰণৰ আৰু স্বায়ত্ত শাসনৰ দাবীত ডিব্ৰুগড়, শিৱসাগৰ আৰু চৰাইদেউত বিশাল জোঁৰ সমদল কৰে টাই আহোম জনগোষ্ঠীয় লোকে। টাই আহোম যুৱ পৰিষদ, অসম চমুকৈ 'টাইপা'ৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু 'টাইপা'ৰ ভগ্নী সংগঠন টাই আহোম মহিলা পৰিষদৰ সহযোগত ঐতিহাসিক ৰংঘৰ বাকৰিৰ পৰা শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিলৈকে এক বিশাল জোঁৰ ( দুই পৃষ্ঠাত চাওক)

## গুৱাহাটী বিশ্ব-বিদ্যালয়ত আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ শুভাৰম্ভ




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০২৪-২৫বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ শুভাৰম্ভ হয়। যুৱ মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে। অনুষ্ঠানত শ্ৰেণীসমূহৰ সচিব ড° হেমন্ত কুমাৰ নাথ, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰঞ্জন কুমাৰ কাকতি, ( দুই পৃষ্ঠাত চাওক)

## প্ৰথম দিনাই ২.৫ কোটি টকা উপাৰ্জনেৰে অভিলেখ 'ৰৈ ৰৈ বিনালে'ৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ৩১ অক্টোবৰ তাৰিখে মুক্তিলাভ কৰিলে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সপোনৰ প্ৰকল্প 'ৰৈ ৰৈ বিনালে'। মুক্তি পাছতে এক প্ৰকাৰৰ ধুমুহা সৃষ্টি কৰিলে ছবিখনে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ নোহোৱা হোৱাৰ ৪২-৪৩ দিনৰ পাছতো প্ৰতিজন জুবিন অনুৰাগীৰ হৃদয়ে এই ধ্বনিয়ে অনুৰণিত হৈছে আৰু তাৰ স্পষ্ট প্ৰকাশ হৈছে ( তিনিপৃষ্ঠাত চাওক)

# জীৱিত কালত জুবিনক কষ্ট দিয়া সকলেই এতিয়া আটাইতকৈ বেছি জুবিন অনুৰাগীঃ পৱিত্ৰ মাৰ্ঘেৰিটা

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই নতুন দিল্লীত সাংবাদিকৰ আগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কয় যে জীৱিতকালত জুবিন গাৰ্গক



যিসকল ব্যক্তিয়ে আটাইতকৈ বেছি মানসিক কষ্ট দিছিল সেইসকল ব্যক্তিয়েই এতিয়া হৈ পৰিছে আটাইতকৈ বেছি জুবিন অনুৰাগী। এনে দুজন ব্যক্তি হ'ল ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদৰ দুই মুৰব্বী ক্ৰমে অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈ। এটা সময়ত জুবিন গাৰ্গৰ গীত নিষিদ্ধ কৰিছিল অখিল গগৈয়ে। ৰাইজৰ দলৰ মৰাণ অধিৱেশনৰ কালছোৱাত অখিল গগৈয়ে জুবিনৰ গীত যে নিষিদ্ধ কৰিছিল সেই কথা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ বিচাৰে। আনহাতে অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে (দহ পৃষ্ঠাত চাওক)

# টেনিছৰ পৰা অৱসৰ গ্ৰহণ কৰিলে ৰোহণ বোপান্নাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ২২ বছৰীয়া বিখ্যাত কেৰিয়াৰৰ অন্ত পৰিল। অৱসৰৰ কথা ঘোষণা কৰিলে ৰোহণ বোপান্নাই। শনিবাৰে সামাজিব মাধ্যমৰ জৰিয়তে এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। ৪৫ বছৰীয়া বোপান্নাই পেৰিছ মাষ্টাৰ্ছত অন্তিমখন (দহ পৃষ্ঠাত চাওক)

# 'ৰৈ ৰৈ বিনালে' চাই

খ্ৰীষ্টানবস্তিৰ এখন হোটেলৰ পৰা সংবাদ মেল দি থকাৰ সময়তে গ্ৰেপ্তাৰ কৰিছিল সংগঠনটোৰ নেতা ক্ৰমে ৰণ্টু পানীফুকন, তন্ময় চেতিয়া আৰু উৎপল দত্তক। সেইদিনাৰ পৰাই ৰহস্যজনকভাৱে পলাতক হৈ আছিল সংগঠনটোৰ শীৰ্ষ নেতা বিকাশ অসম। জানিব পৰা মতে, বিকাশ অসমৰ নিৰ্দেশতে সংগঠনটোৰ সদস্যসকলে লোকজনক অপহৰণ কৰি পৰিয়ালৰ পৰা প্ৰায় ২০ লাখ টকা মুক্তিপণ হিচাপে দাবী কৰিছিল। আৰক্ষীয়ে গোচৰটোৰ তদন্ত অব্যাহত ৰাখি এই সন্দৰ্ভত ৮৭৫/২৫ নম্বৰত এটা গোচৰো ৰুজু কৰিছিল। গোচৰটোৰ অন্যতম অভিযুক্ত বিকাশ অসমে দিছপুৰ থানাত আত্মসমৰ্পণ কৰাৰ পাছতে তেওঁকো গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে গ্ৰেপ্তাৰৰ পূৰ্বে মহানগৰীৰ এটা চিনেমাহলত শিল্পী জুবিন গাৰ্গ অভিনীত 'ৰৈ ৰৈ বিনালে' ছবিখনো ছদ্মৰূপত উপভোগ কৰিলে বিকাশ অসমে। তাৰ পাছতে ছবিখন সন্দৰ্ভত সামাজিক মাধ্যমযোগে পোষ্ট প্ৰেৰণ কৰি আত্মসমৰ্পণ কৰে বিকাশ অসমে। সামাজিক মাধ্যমৰ এটা পোষ্টত বিকাশে লিখিছে, জুবিন দা পৃথিবীৰ প্ৰতিজন ব্যক্তিৰ বুকুত আজিৰ দৰেই মৰমৰ আৰু প্ৰাণৰ হৈ থাকক। বৰ সুন্দৰ এখন চিনেমা। "ৰৈ ৰৈ বিনালে" সকলোৱে চাব। মানুহে ভুলৰ পৰাই শিক্ষণৰ নতুন দস্তাবেজ মেলে। আই মাতৃ সকলে মোক ভুল বুজি নাথাকিব কাৰণ কোনো কালে মোৰ জীৱনত অসমীয়াক অপমান কৰাৰ আজিলৈ উদাহৰণ নাই।" তেওঁ আকৌ লিখিছে, "এটা কথা সত্য যে কোনো ব্যক্তিক মই জ্ঞাতে বা অজ্ঞাতে মনোকষ্ট দি কোনো দিনে সুখী হ'ব নোৱাৰিম। বিগত দিনত অসমীয়া জাতিটোৰ বাবেই বহুবাৰ গ্ৰেপ্তাৰ বা কাৰাবাসত গৈছোঁ। গতিকে মই সৰু হিচাবে ক্ষমা বিচাৰিম জ্ঞাতে বা অজ্ঞাতে মনোকষ্ট দিয়া প্ৰতিজন ব্যক্তিৰ ওচৰত। ধৰি নাথাকিব। পুনৰ লিখিছে, জাতিটোৰ বাবে আমি সকলোৱে যিকোনো দৃষ্টিকোণৰ পৰা কৰিব লগীয়া বহু কাম আছে। জুবিন দাৰ চিনেমাখন চোৱাৰ বৰ হেঁপাহ আছিল। জেলৰ ভাত খামেই যেতিয়া চিনেমাখন চাই এতিয়া সুস্থ শৰীৰে উপস্থিত হ'মগৈ আৰক্ষীৰ সহযোগিতাৰ বাবে। মহামান্য আদালতে দিয়া ৰায়দান বা শাস্তিক সন্মানেৰে আদৰি ল'ম। এই জাতীয়তাবোধ মোৰ সংগ্ৰামী জীৱনত সদায়েই থাকিব তেজত যিকোনো অসমীয়া ব্যক্তিৰ বাবে। জয় জুবিন দা। অকল ধন দাবী বা অপহৰণেই নহয়, অসমৰ আইমাতৃসকলক লৈ বিতৰ্কিত মন্তব্যও সামাজিক মাধ্যমযোগে প্ৰদান কৰিছিল বিকাশ অসমে। আৰক্ষীয়ে অপহৰণৰ গোচৰটোৰ লগতে অসমীয়া নাৰীৰ প্ৰতি বিদ্বেষজনক মন্তব্য আগবঢ়োৱা বিষয়টোতো তদন্ত চলাব বুলি জানিব পৰা গৈছে।


# গুৱাহাটী বিশ্ববিদ্যালয়ত

উপ-ছাত্ৰ কল্যাণ সঞ্চালক ড° কুলদীপ পাটগিৰি, সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক অখিল ৰঞ্জন দত্ত, জ্যেষ্ঠ অধিবক্তা নেকিবুৰ জামান, অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱা, স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতীম কলিতা, সাধাৰণ সম্পাদক কৌশিক বৰুৱা, অধ্যাপক-অধ্যাপিকা, বিশিষ্ট ব্যক্তিসকল সমন্বিতে স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়বীয়াসকল ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বিশ্ববিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানত ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গক একাঁজলি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ যুগজয়ী সৃষ্টি মানুহে মানুহৰ বাবে আৰু মায়াৱিনী ৰাতিৰ বুকুত শীৰ্ষক গীত দুটি পৰিৱেশন কৰা হয়। যুৱ মহোৎসৱত অংশগ্ৰহণ কৰাসমূহ মহাবিদ্যালয়ক উদ্দেশ্যি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই শুভেচ্ছামূলক বাৰ্তা প্ৰদান কৰি কয় যে যুৱ মহোৎসৱ কেৱল এটা সাংস্কৃতিক অনুষ্ঠান নহয়, ই হৈছে শিক্ষাৰ্থীসকলৰ ঐক্য, সৃষ্টিশীলতা আৰু ব্যক্তিত্বৰ প্ৰতিফলন। প্ৰতিবছৰে এই উৎসৱে আমাৰ বিশ্ববিদ্যালয়ক এক নতুন উৎসাহ প্ৰদান কৰে। বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে যি আন্তৰিকতাৰে ইয়াত অংশগ্ৰহণ কৰে, সেইটো এই উৎসৱৰ সৰ্বশ্ৰেষ্ঠ শক্তি। আশাকৰোঁ এই বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱে সকলোৰে মনত এক স্মৰণীয় অধ্যায় হিচাপে স্থান লাভ কৰিব। একতাৰ বান্ধোনেৰে ৰঙীন সাংস্কৃতিক শোভাযাত্ৰাত সুদক্ষ অভিনেতা আৰু পৰিচালক হিমাংশু প্ৰসাদ দাস, হোলী গীত বিশেষজ্ঞ প্ৰমথ ৰঞ্জন দাস আৰু বিশিষ্ট অভিনেতা জিতুমণি দেৱ চৌধুৰী বিচাৰক আৰু অসম যুৱ পৰিষদৰ কাৰ্যকৰী সভাপতি হৃষীকেশ শৰ্মা উদ্বোধক হিচাপে উপস্থিত থাকে। বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ অধীনত অনুষ্ঠিত এই মহোৎসৱত অসমৰ ৬০খনতকৈও অধিক মহাবিদ্যালয় আৰু ৭০০তকৈ অধিক প্ৰতিভাৱান শিক্ষাৰ্থীয়ে সংগীত, নৃত্য, সাহিত্যিকে ধৰি বিভিন্ন প্ৰতিযোগিতাত নিজৰপাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। উল্লেখ্য যে এই বৰ্ষৰ যুৱ মহোৎসৱত অসমৰ প্ৰাণ, অমৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ সৃষ্টিৰাজিক আগুৱাই নিয়াৰ স্বাৰ্থত জুবিন গাৰ্গৰ কণ্ঠৰ অসমীয়া আধুনিক গীত প্ৰতিযোগিতা শীৰ্ষক এক বিশেষ প্ৰতিযোগিতাৰ শিতান অন্তৰ্ভুক্ত কৰা হৈছে।

# জনজাতিকৰণৰ দাবীত শিৱসাগৰ

সমদল উলিওৱা হয়। টাইপা কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলীৰ নেতৃত্বত প্ৰায় ৫ সহস্ৰাধিক টাই আহোমে এই জোঁৰ সমদল কাৰ্যসূচীত অংশগ্ৰহণ কৰি টাই আহোম জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদানৰ দাবীত 'জাগিছে আহোম জাগিবই, জনজাতিকৰণ আমাক লাগিবই', 'ন' এছ টি, ন' ৰেষ্ট, 'অসম চৰকাৰ হায় হায়','কেন্দ্ৰীয় চৰকাৰ মুৰ্দাবাদ','প্ৰধানমন্ত্ৰী মিছলীয়া', 'অসম চৰকাৰৰ কাম নাই', 'We Want Justice' আদি শ্লোগানেৰে শিৱসাগৰৰ পৰিবেশ উত্তাল কৰি তোলে। জোঁৰ সমদল কাৰ্যসূচী উলিওৱাৰ পূৰ্বে ৰংঘৰৰ বাকৰিত অনুষ্ঠিত এক প্ৰতিবাদী সভাত বক্তব্য দি টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামুলীয়ে কয় যে বিগত তিনি দশক ধৰি টাই আহোম জনগোষ্ঠীয়ে জনজাতিকৰণ প্ৰদানৰ দাবী জনাই অহাৰ পাছতো কোনো এখন চৰকাৰে এই দাবী পূৰণ নকৰি জনগোষ্ঠীটোক সাংবিধানিক প্ৰাপ্য অধিকাৰৰ পৰাবঞ্চিত কৰি আহিছে। টাইপাৰ সভাপতিগৰাকীয়ে কয়, 'আমাৰ সংগ্ৰাম চৰকাৰৰ বিৰুদ্ধেনহয়, সংশ্লিষ্ট কোনো জাতি-জনগোষ্ঠীৰ বিৰুদ্ধেও নহয়, আমাৰ সংগ্ৰাম টাই আহোম জনগোষ্ঠীৰ ন্যায্যপ্ৰাপ্তিৰ সংগ্ৰাম আৰু আমাৰ লক্ষ্য অসমৰ খিলঞ্জীয়া ৰাইজৰ অস্তিত্ব সুৰক্ষিত কৰা। এইখন চাওলুং চুকাফাৰ দেশ, শংকৰ-মাধৱৰ দেশ। ইয়াত বসবাস কৰা গৰিয়া-মৰিয়া, আহোম, মৰাণ, মটক, চুতীয়া, চাহ জনগোষ্ঠী, আদিবাসী, কোচ ৰাজ বংশী, কলিতা, বামুণ, গোসাঁই, বড়ো, মিচিং, কাৰ্বি, কছাৰী, তিৱা, ৰাভা আদি অসমৰ সকলো জনগোষ্ঠীৰ সাংবিধানিক সুৰক্ষাৰ প্ৰশ্ন জড়িত হৈ আছে। দীৰ্ঘদিন ধৰি বাংলাদেশৰ পৰা হোৱা প্ৰব্ৰজনে অসমীয়া ৰাইজক সংখ্যালঘুত পৰিণত কৰিছে আৰু তাৰ পৰা পৰিত্ৰাণৰ উপায় হৈছে টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ। বিগত সময়ছোৱাত কংগ্ৰেছ চৰকাৰৰ দিনত বাংলাদেশৰ পৰা অহা অবাধ হাৰত পমুৱা মিএল মুছলমান লোকৰ অধিক প্ৰব্ৰজনে খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে আৰু এই ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত কংগ্ৰেছে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। কংগ্ৰেছৰ এই প্ৰতাৰণাৰ বাবেই ছয় জনগোষ্ঠীৰ ৰাইজে ২০১৪ চনৰ পৰা প্ৰতিটো নিৰ্বাচনতেই কংগ্ৰেছ দলক প্ৰত্যাখ্যান কৰি আহিছে। মন্ত্ৰীগোটৰ চূড়ান্ত প্ৰতিবেদনখন অহা ২৫ নৱেম্বৰত অসম বিধানসভাত আলোচনা কৰা হ'ব বুলি অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। অহা ২৫ নৱেম্বৰলৈকে আমি অপেক্ষা কৰি আছোঁ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত আমি এইক্ষেত্ৰত পূৰ্ণ আস্থা ৰাখিছোঁ। কিয়নো তেওঁৰ তৎপৰতাতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়াটো ত্বৰান্বিত হৈ এই পৰ্যায় পাইছেহি। যদি ২৫ নৱেম্বৰত আমি আশা কৰা ধৰণে ফল লাভ নকৰোঁ অথবা ২০২৬ চনৰ অসম বিধানসভাৰ পূৰ্বেই টাই আহোমসকলে জনজাতিকৰণ লাভ নকৰে তেন্তে আমি কাৰ ওপৰত আস্থা ৰাখিম? কংগ্ৰেছে ইতিমধ্যে আমাক প্ৰতাৰণা কৰিছে। সেয়েহে এইক্ষেত্ৰত পুনৰ বিজেপিয়ে সেই পথকে অনুকৰণ কৰিলে টাইপাই আহোম জনগোষ্ঠীৰ ৰাইজক লগত লৈ বিকল্প ৰাজনীতিৰ চিন্তাৰ গত্যন্তৰ নাথাকিব। টাইপাৰ সভাপতিগৰাকীয়ে জনজাতিকৰণ নোপোৱা পৰ্যন্ত জনগোষ্ঠীটোৱে বিভিন্ন গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি যাব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে।

# মুক্তি পালে জুবিন গাৰ্গৰ সপোনৰ ছবি ‘ৰৈ ৰৈ বিনালে’




ৰঙিলী বাৰ্ত্তাসেৱা- দীৰ্ঘপ্ৰতীক্ষাৰ অন্তত ৩১ অক্টোবৰত শুভমুক্তি পালে জুবিন গাৰ্গৰ সপোনৰ ছবি ‘ৰৈ ৰৈ বিনালে’। দুচকুৰে অশ্ৰু নিগৰাই লাখ লাখ দৰ্শকৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক সুঁৱৰি উচুপি উঠিল চিত্ৰগৃহত। অসম তথা দেশৰ ৪৬খন চহৰৰ ৫০০ খনতকৈও অধিক স্ক্ৰীনত অভিনয় চাই প্ৰতিজন দৰ্শকেই মাথোঁ সুঁৱৰিলে প্ৰাণৰ শিল্পীগৰাকীক। শিল্পীগৰাকীৰ সত্তাক। কাহিনীৰ গভীৰতা, কাহিনীত বাস্তৱৰ অনুৰণন, সংগীতৰ প্ৰতিটো লহৰে চুই যোৱা সুৰে আজি অসমৰ চলচ্চিত্ৰ ইতিহাসত প্ৰতিজন দৰ্শককে বেদনাসিক্ত কৰি তুলিলে। মৃত্যুৰ ৪২ দিনৰ পিছত শিল্পীগৰাকীৰ অভিনয়, সংগীত পৰিচালনাত নিৰ্মিত ‘ৰৈ ৰৈ বিনালে’ দেশ-বিদেশৰ ছবিগৃহত মুকলি হোৱাৰ পিছত ছবিখন দৰ্শন কৰি আবাল-বৃদ্ধ বনিতা, যুৱক-যুৱতীৰ পৰা আৰম্ভ কৰি দিব্যাংগজনলৈ সকলো দৰ্শকেই মুকবাক, শব্দহীন, শোকাৰ্ত। দেশৰ চলচ্চিত্ৰৰ ইতিহাসত লাখ লাখ দৰ্শকে এনেদৰেই এখন চলচ্চিত্ৰ চাবলৈ গৈ সমস্বৰে উচুপি উঠা ঘটনা বিৰল। উল্লেখ্য যে প্ৰাণৰ শিল্পীগৰাকীক হেৰুওৱাৰ ৪২ দিন পাৰ হৈ যোৱাৰ পাছত ‘ৰৈ ৰৈ বিনালে’ত তেওঁক আকৌ এবাৰ জীৱন্ত ৰূপত চাবলৈ, দেখিবলৈ পোৱাৰ হেঁপাহত সমগ্ৰ ৰাতি উজাগৰে থাকি পুৱতি নিশাৰ বৰষুণকো নেওচি গুৱাহাটী মহানগৰবাসীৰ লগতে সমগ্ৰ অসমবাসী জুবিন অনুৰাগীয়ে হিলদল ভাঙি ছবিগৃহসমূহত ভিৰ কৰে। পুৱতি নিশা প্ৰতিজন অসমীয়াৰ আশা, হেঁপাহ, বুকুৰ ঢপঢপনি আৰু অপেক্ষাৰ অন্ত পেলাই ছবিগৃহত শুভমুক্তি লাভ কৰিলে জুবিন আৰু তেওঁৰ দলটোৰ সপোনৰ ছবি ‘ৰৈ ৰৈ বিনালে’। বহু প্ৰত্যাশিত ছবিখনৰ মুক্তিৰ দিনা বহু চিত্ৰগৃহ কৰ্তৃপক্ষই ( নপৃষ্ঠাত চাওক)

# মই হত্যাকাণ্ড বুলি কৈছিলো, সেয়াই হ’বঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত চলাই থকা বিশেষ তদন্তকাৰী গোট (এছআইটি)-এ অহা ১৭ ডিচেম্বৰত তদন্তৰ প্ৰতিবেদন অথবা চাৰ্জশ্বীট আদালতত দাখিল কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। লক্ষণীয়ভাৱে ছিংগাপুৰত অকালভাৱে মৃত্যুক সাবটি লোৱা জুবিন গাৰ্গ প্ৰকৃততে হত্যাৰ বলি হোৱা বুলি পুনৰ দোহাৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কয়, “মই হত্যাকাণ্ড বুলি কৈছিলো, সেয়াই হ’ব।” এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীৰ মন্তব্য- হত্যাকাণ্ড বুলি কোৱাৰ বাবে মোক জোকাই থাকে। কিন্তু তেওঁলোকৰ মুখত চুণ পৰিব। ইফালে জুবিন গাৰ্গক ন্যায় প্ৰদানত ৰাজ্য চৰকাৰ ব্যৰ্থ হোৱা তথা পিছহোঁহকা বুলি বিৰোধীয়ে কৰা অভিযোগৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট মন্তব্য- জুবিন গাৰ্গৰ ন্যায়ৰ ইচ্যু ডাইভাৰ্ট নহয়। অহা ১৭ ডিচেম্বৰত সম্পূৰ্ণ তথ্য ৰাইজৰ আগলৈ লৈ আহিম, ক’ৰ্টৰ আগতো লৈ আহিম। মানুহে মানিবলৈ বাধ্য হ’ব যে কিমান ডাঙৰ কাম নিৰ্দিষ্ট সময়ত আমি কৰিব পাৰিলোঁ। মই ইমান কনফিডেন্টলি কৈ আছোঁ যেতিয়া তাৰ পৰাই আপোনালোকে বুজি পাওক, মই কিমান বেছি কনফিডেন্ট। ডাঙৰ তথ্যসহকাৰে এছআইটিৰ ৰিপ’ৰ্ট দাখিল হ’ব। অসমৰ মানুহে বহু নজনা কথা জানিব পাৰিব। আনহাতে এছআইটিৰ ৰিপ’ৰ্ট মুখ্যমন্ত্ৰীয়ে আগতীয়াকৈ কেনেকৈ লাভ কৰিলে বুলি বিধায়ক অখিল গগৈয়ে উত্থাপন কৰি অহা অভিযোগৰ উত্তৰ দি মুখ্যমন্ত্ৰী (দহ পৃষ্ঠাত চাওক)

# প্ৰথম দিনাই ২.৫ কোটি টকা

শিল্পীগৰাকীৰ ১৭ বছৰীয়া সাধনাৰ সপোনৰ প্ৰকল্প ‘ৰৈ ৰৈ বিনালে’ দৰ্শন কৰি শত-সহস্ৰ দৰ্শকে দেখুওৱা আবেগবিহ্বলতা, আব্দাৰ-অনুযোগ-অভিযোগ আৰু ৰহস্যজনক মৃত্যুৰ ন্যায় বিচাৰি কৰা আহ্বান-প্ৰতিবাদৰ ভাষাত। বুকু আৰু হৃদয়ত এটা গধুৰ শিল বান্ধি দ্বিতীয়দিনাও শত-সহস্ৰ জুবিন অনুৰাগীয়ে ‘ৰৈ ৰৈ বিনালে’ বোলছবিখন দৰ্শন কৰি আৱেগবিহ্বল হৈ চকুপানী টুকি ওলাই আহিল। অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত মুক্তি পোৱা ‘ৰৈ ৰৈ বিনালে’ দৰ্শন কৰি দুচকুৰ লোতক নিগৰাই আজিও প্ৰাণৰ শিল্পীক সুঁৱৰি চেলুলয়ডৰ স্ক্ৰীনত জীৱন্ত জুবিনক বিচাৰি হাহাকাৰ কৰিলে শত-সহস্ৰজনে। ছবিগৃহত চুকুলোৰ বন্যা আৰু বাহিৰৰ পৃথিৱীত বৰষুণৰ টোপালৰ চিপ চিপ শব্দ-এনে এক আবেগিক মুহূৰ্তৰ সাক্ষী হৈ ৰ’ল আজিও শত-সহস্ৰ জুবিন অনুৰাগী। প্ৰথম দিনটোৰ দৰে দ্বিতীয়দিনাও শত সহস্ৰ দৰ্শকে ভিৰ কৰিলে ছবিগৃহসমূহত। পুৱতিনিশাৰ পৰা অসমৰ প্ৰতিটো ছবিগৃহৰ লগতে ৰাজ্যৰ বাহিৰৰ ৯১টা ছবিগৃহত ‘ৰৈ ৰৈ বিনালে’ৰ জৰিয়তে জীৱন্ত জুবিনক দুচকুৰে এপলক চাই আৱেগৰ ঢৌৰে স্পৰ্শ কৰিব বিচাৰিলে। স্মৰ্তব্য যে উত্তৰ-পূৰ্বাঞ্চলৰ ৯২টা ছবিগৃহত ‘ৰৈ ৰৈ বিনালে’ৰ প্ৰদৰ্শনী সম্পন্ন হৈছিল। য’ত আছিল ৬৬০টাতকৈ অধিক শ্ব’। আনহাতে দেশৰ অন্যান্য চহৰত ছবিখনে শুভমুক্তি লাভ কৰা ১৬৯টা শ্ব’ৰ জৰিয়তে জীৱন্ত জুবিনক আকৌ এবাৰ চেলুলয়ডৰ স্ক্ৰীনত দৰ্শন কৰিবলৈ অহা অনুৰাগীয়ে প্ৰথম দিনটোতে সমগ্ৰ দেশৰ প্ৰায় ৮০০ টাকৈ দৰ্শনীৰ জৰিয়তে প্ৰত্যক্ষ কৰিলে। অসমীয়া বোলছবি জগতৰ ৯০ বছৰীয়া ইতিহাসত ই এক বিৰল ঐতিহাসিক পৰিঘটনা। অভিলেখৰ পিছত অভিলেখ গঢ়া সংগীতৰ মহানায়কৰ অন্তিমখন ছবি ‘ৰৈ ৰৈ বিনালে’ই প্ৰথম দিনটোতে ২.৫২ কোটি টকা আহৰণ কৰিবলৈ সক্ষম হৈছে। যিটো অসমীয়া বোলছবি জগতৰ ইতিহাসত অনন্য অভিলেখ।

# গৌৰৱ গগৈ এশ শতাংশ পাকিস্তানী এজেণ্টঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ গৌৰৱ গগৈক পাকিস্তানী এজেন্ট বুলি আখ্যা দিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । জুবিন গাৰ্গৰ ন্যায়ৰ বিষয়টোৰ তদন্ত চলি থকা বাবেহে এতিয়া গৌৰৱ গগৈৰ বিৰুদ্ধে একো কথা কোৱা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, জুবিনৰ ন্যায় প্ৰক্ৰিয়া শেষ হোৱাৰ পিচতে সকলো কথা ৰাজহুৱা কৰিম । উল্লেখ্য যে বিগত প্ৰায় ছটা মাহে ৰাজ্যৰ ৰাজনীতিৰ মূল বিষয় হৈ পৰিছিল গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে থকা সম্পৰ্ক । তাৰ পিচতে ১৯ ছেপ্টেম্বৰত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুত বিষয়টো তল পৰে যদিও পুনৰ গৌৰৱ গগৈক এশ শতাংশ পাকিস্তানী এজেণ্ট বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- গৌৰৱ গগৈ পিঅ’ৰলী পাকিস্তানী এজেন্ট। মই কোৱাৰ কাৰণে সাহস আছে যদি মোৰ বিৰুদ্ধে মানহানি গোচৰ দিয়ক। তেওঁ এজন পিঅ’ৰলী পাকিস্তানী (দহ পৃষ্ঠাত চাওক)

# ছিংগাপুৰৰ পৰা আহিল জুবিন গাৰ্গৰ প’ষ্টমৰ্টেম-টক্সিক’লজী পৰীক্ষাৰ চূড়ান্ত ৰিপ’ৰ্ট



ৰঙিলী বাৰ্ত্তাসেৱা- ৰহস্যজনকভাৱে ছিংগাপুৰত মৃত্যুবৰণ কৰা ৰাজ্যবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ চূড়ান্ত প’ষ্টমৰ্টেম ৰিপ’ৰ্ট ছিংগাপুৰ চৰকাৰে অসমলৈ প্ৰেৰণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ছিংগাপুৰলৈ যেতিয়া এছআইটি গৈছিল, তেতিয়া ছিংগাপুৰে আমাক সহযোগিতাৰ আশ্বাস দিছিল। ছিংগাপুৰে আনুষ্ঠানিকভাৱে (দহ পৃষ্ঠাত চাওক)

# মহিলা এদিনীয়া

থাকিবলগীয়া হৈছিল। বিপৰীতে দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে। এতিয়া দুয়ো দলৰ লক্ষ্য হ’ল ইতিহাস গঢ়াৰ। দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে আইচিচিৰ সন্মানীয় প্ৰতিযোগিতাখনৰ ফাইনেলত প্ৰৱেশ কৰি ইতিহাস গঢ়িছে। গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাই ৪ বাৰৰ চেম্পিয়ন ইংলেণ্ডক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ঘৰুৱা দল ভাৰতে দ্বিতীয়খন ছেমিত ডিফেণ্ডিং তথা সাতবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি খিতাপ যুঁজলৈ উন্নীত হয়। অষ্ট্ৰেলিয়াই জয়ৰ বাবে বান্ধি দিয়া অভিলেখসংখ্যক ৰানৰ লক্ষ্য অতিক্ৰম কৰি ভাৰতে ফাইনেলত প্ৰৱেশ কৰিছিল। ভাৰতৰ এই জয়ৰ মূলতে আছিল জেমিমা ৰ’ড্ৰিগুৱেজৰ বিস্ফোৰক অপৰাজিত শতক। আজিৰ মেচখনৰ সন্দৰ্ভত দলটোৰ অধিনায়িকা হৰমনপ্ৰীতি কৌৰে কয় যে শক্তিশালী অষ্ট্ৰেলিয়াক ছেমিফাইনেলত পৰাস্ত কৰি দলটোৰ সতীৰ্থসকলৰ মনোবল যথেষ্টখিনি বৃদ্ধি পাইছে। আশা ৰাখিছে ফাইনেল মেচখনতো সতীৰ্থসকলে দক্ষিণ আফ্ৰিকাৰ সকলো প্ৰত্যাহ্বান ওফৰাই ভাৰতক চেম্পিয়নৰ সোৱাদ দিব পাৰিব বুলি মই আত্মবিশ্বাসী। প্ৰতিযোগিতাখনত প্ৰটিয়াজ বাহিনীয়ে উন্নত প্ৰদৰ্শন দাঙি ধৰি আহিছে। লীগ মেচত আমি তেওঁলোকৰ হাতত পৰাস্ত হৈছোঁ। গতিকে কাইলৈ খিতাপ যুঁজৰ মেচখনত আমি বিশেষ ৰণনীতিৰে নমাৰ পৰিকল্পনা লৈছোঁ। নিঃসন্দেহ আজিৰ মেচখন আকৰ্ষণীয় হ’ব। গতিকে আমি প্ৰথমৰ পৰাও পৰিকল্পনা অনুসৰি খেলপথাৰত নামিব লাগিব।

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰি মহিলা এদিনীয়া বিশ্বকাপৰ ফাইনেলত ভাৰত




ৰঙিলী বাৰ্ত্তাসেৰা- মহিলা বিশ্বকাপৰ দ্বিতীয় ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি আইচিচি মহিলা এদিনীয়া বিশ্বকাপৰ ফাইনেলত স্থান সুৰক্ষিত কৰিলে ভাৰতীয় মহিলা ক্ৰিকেট দলে। নৱী মুম্বাইত অনুষ্ঠিত দ্বিতীয়খন ৰোমাঞ্চকৰ ছেমিফাইনেলত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে সাতবাৰৰ ( নপৃষ্ঠাত চাওক)

# লখিমপুৰত সুধাকণ্ঠৰ প্ৰতিমূৰ্তি উন্মোচন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৰা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটা বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰে। লগতে এটা গৌৰৱ পথৰো শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। লখিমপুৰ বিশ্ববিদ্যালয়ৰ কাষতে ৪০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বিশাল প্ৰতিমূৰ্তিটো বৃহৎসংখ্যক জনতাৰ উপস্থিতিত এক আনন্দমুখৰ পৰিৱেশত মুখ্যমন্ত্ৰীগৰাকীয়ে উন্মোচন কৰে। তাৰ পূৰ্বে নগৰৰ শিৱ মন্দিৰৰ সমীপৰ পৰা লখিমপুৰ বিশ্ববিদ্যালয় চাৰিআলিলৈ ২.৮৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ কৰা ০.৫৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ গৌৰৱ পথটোৰো শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজলৈ উৎসৰ্গা কৰে। বিপুল হৰ্ষোল্লাসৰ মাজত মুখ্যমন্ত্ৰীগৰাকীয়ে এই দুয়োটা কাৰ্যসূচী সমাপণ কৰে। কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে সুধাকণ্ঠড° ভূপেন হাজৰিকাৰ জন্ম ( নপৃষ্ঠাত চাওক)

# নৱেম্বৰ মাহত অসমলৈ আহিব দুই কেন্দ্ৰীয় মন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৰা- অসমলৈ আহিব কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। ইনলেণ্ড ৱাটাৰ টাৰ্মিনেল আৰু ব্ৰহ্মপুত্ৰৰ ৰিভাৰ ফ্ৰণ্ট উদ্বোধন কৰিবলৈ অহা ৭ নৱেম্বৰত গুৱাহাটীলৈ আহিব কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ। আনহাতে, ৯ নৱেম্বৰত লাচিত ঘাটত অনুষ্ঠিত হ'বলগা বৃহৎ এয়াৰ শ্ব' মুকলি কৰিবলৈ আহিব কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা জানিবলৈ দিলে। বিয়লি উজানবজাৰৰ ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট পৰিদৰ্শন কৰি দুগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ আগমনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অহা ৭, ৮ আৰু ৯ নৱেম্বৰত তিনিটা বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ৭ নৱেম্বৰত ৪০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ইনলেন ৱাটাৰ টাৰ্মিনেলটো কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে উদ্বোধন কৰিব। ( নপৃষ্ঠাত চাওক)

# জুবিনক্ষেত্ৰ পৰিদৰ্শন গৰিমা শইকীয়া গাৰ্গসহ জুবিনক্ষেত্ৰ নিৰ্মাণ সমিতিৰ



ৰঙিলী বাৰ্ত্তাসেৰা- বৃহস্পতিবাৰে পুৱাই জুবিন ক্ষেত্ৰৰ প্ৰস্তাৱিত ভূমিৰ পৰিসীমাৰ বুজ ল'বলৈ সমাধি ক্ষেত্ৰক লৈ চৰকাৰে গঠন কৰা ৰৰ জনীয়া কমিটীৰ সদস্যসহ গৰিমা শইকীয়া গাৰ্গ সোণাপুৰৰ জুবিনক্ষেত্ৰত উপস্থিত হয় । প্ৰথমে জুবিনৰ সমাধিত আপোন মানুহজনক শ্ৰদ্ধাৰে সেৱা জনাই আৱেগিক হৈ পৰে গৰিমা শইকীয়া গাৰ্গ। তাৰ পিছতে ভগ্নী পামী বৰঠাকুৰ, নিৰ্মাণ সমিতিৰ সদস্য মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্ত, বীৰেন সিংহ, শ্যামন্তক গৌতম, সুদৰ্শন ঠাকুৰ, প্ৰাঞ্জল শইকীয়া, অনুৰাধা শৰ্মাকে ধৰি স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ বিষয়ববীয়াক লৈ জুবিনক্ষেত্ৰৰ চৌহদৰ ভূমিৰ পৰিসীমাৰ বুজ লয়। জুবিনক্ষেত্ৰৰ ভূমিৰ লগতে জুবিনৰ সৃষ্টিৰাজিক কেনেকৈ ৰখা হ'ব সেই সন্দৰ্ভত তেওঁ কয় যে জুবিনক্ষেত্ৰত আমাৰ যিটো ইচ্ছা আছে ইয়াক কেৱল সমাধি হিচাপে ৰাখিব নিবিচাৰোঁ। জুবিনক্ষেত্ৰ এটা এক্সপেৰিয়েঞ্চ চেন্টাৰ হওক। য'ত জুবিনৰ এটা মিউজিয়াম থাকিব। য'ত জুবিনৰ সকলো ধৰণৰ ভালপোৱা বস্তু মিউজিয়ামত ৰখা হ'ব। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সকলোৱে যাতে জুবিনক মনত ৰাখিব পাৰে তেনেধৰণে জুবিনক্ষেত্ৰৰ নিৰ্মাণকাৰ্য হোৱাটো বিচাৰিছে গৰিমাই। লগতে তেওঁ কয় যে জুবিনক্ষেত্ৰ কেৱল ২-৩ বছৰলৈকে চাকি-বন্তি জ্বলাই জুবিনক মনত পেলালে নহ'ব, চিৰদিন, চিৰকাল সজীৱ হৈ থাকিব লাগিব জুবিনক্ষেত্ৰ। এই বিষয়ে পৰিয়ালৰ তৰফৰ পৰা চৰকাৰক প্ৰস্তাৱ ( নপৃষ্ঠাত চাওক)

# বীৰ লাচিত সেনাৰ তিনি সদস্যক বৰপেটাত গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৰা- বীৰ লাচিত সেনাৰ বিৰুদ্ধে কঠোৰ হৈছে চৰকাৰ। ধন দাবী, দালালিৰে জড়িতৰ প্ৰমাণ লাভ কৰাৰ পিছতে কঠোৰ হৈছে চৰকাৰ প্ৰশাসন। সেই অনুসৰি বৰপেটাত বীৰ লাচিত সেনাৰ তিনি সদস্যক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা সদস্যকেইজন হৈছে- শ্বহীদুল বৰুৱা, লিটন আলী, দীপাংকৰ তালুকদাৰ। ইয়াৰে দীপাংকৰ তালুকদাৰ সাংগঠনিক সম্পাদক, লিটন আলী কাৰ্যালয় সম্পাদক, শ্বহীদুল বৰুৱা সদস্য। উল্লেখ্য যে বৰপেটাৰ থলুৱা আতচবাজী শিল্পৰ উদ্যোগীসকলক দাবী ধমকি দিছিল এইসকল সদস্যই। লগতে বহিৰ্ৰাজ্যৰ ট্ৰাকৰ পৰাও ধন দাবী কৰিছিল ধৃত সদস্যকেইজনে।

# বিশিষ্ট শিল্পী চৈয়দ ছাদুল্লাৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৰা- ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰলৈ আন এক দুঃসংবাদ। ৰাজ্যৰ গ'ল্ডেন ভয়চৰ অধিকাৰী, যশস্বী সুৰকাৰ, কবি, অভিনেতা, ঘোষক, নাট্যকাৰ আৰু গীটাৰিষ্ট চৈয়দ ছাদুল্লাৰ দেহাৱসান । গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাতে চৈয়দ ছাদুল্লাৰ মৃত্যু হয়। অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী যশস্বী শিল্পী চৈয়দ ছাদুল্লা অতি সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিছু দিন ধৰি চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৭ বছৰ। মৃত্যুৰ সময়ত মহান শিল্পীগৰাকীয়ে পত্নীৰ স'তে দুই জীয়ৰী আৰু বহুত আত্মীয়-স্বজন, শুভাকাংক্ষী আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। যোৱা চাৰি দশক ধৰি চৈয়দ ছাদুল্লাৰ বলিষ্ঠ কণ্ঠই আকাশবাণীৰ সকলো শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। পাহাৰ, ভৈয়াম সকলোতেই চৈয়দ ছাদুল্লাৰ গীতৰ-সুৰৰ গুঞ্জন। ছাদুল্লাৰ ৪৩ বছৰীয়া সাংস্কৃতিক যাত্ৰাত ডিব্ৰুগড় আকাশবাণীৰ কাৰ্যকালত বৰ্ণালী, ডাক-পখিলী আৰু হেল্প' মন্দাকিনী আদি অতি জনপ্ৰিয় ৰেডিত' অনুষ্ঠান প্ৰযোজনা আৰু উপস্থাপন কৰিছিল, যিটো আছিল ফোন ইন অনুষ্ঠান। প্ৰয়াত ছাদুল্লাই সদায় নিজৰ শ্ৰোতাসকলৰ সৈতে কেৱল ষ্টুডিঅ'ৰ মাইক্ৰ'ফোনৰ জৰিয়তেই নহয়, দূৰৱৰ্তী প্ৰান্তীয় অঞ্চললৈ ঘূৰি ফুৰি তেওঁলোকৰ মতামত, পৰামৰ্শ আৰু তেওঁলোকৰ সমস্যাসমূহো মত বিনিময়ৰ জৰিয়তে ৰেকৰ্ডিং কৰি ব্যক্তিগতভাৱে লগ পোৱাটো পছন্দ কৰিছিল। ( নপৃষ্ঠাত চাওক)

# শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ

**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

কেশৱ কৃষ্ণ করুণা সিন্ধু
ত্ৰাহি জগন্নাথ অনাথ বন্ধু।
মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।



শ্ৰীমদ্ ভাগৱতৰ দশম স্কন্ধৰ ঊনত্ৰিশ অধ্যায়ৰ পৰা তেত্ৰিশ অধ্যায়লৈ লেখা আছে, শ্ৰীকৃষ্ণৰ ৰাস ক্ৰীয়াৰ বৰ্ণনা মূৰ্তিৰ সহায়ত প্ৰদৰ্শন কৰা হয়। কিছুমান ঠাইত জীৱন্ত ৰাস মহোৎসৱ পালন কৰে। এই দৃশ্যবিলাকত আধ্যাত্মিকতাৰ ভাৱ পূৰ্ণ মাত্ৰাই বিদ্যামান। ৰাসৰ জৰিয়তে মানুহৰ মনত শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তিভাৱ প্ৰদৰ্শন কৰি আধ্যাত্মিকতাৰ ভাৱধাৰা গঢ়ি তোলা হয়, যাতে মানুহখিনি সৎ পথত থাকি একতাৰ বান্ধোনত এখন সুস্থ- সমাজ ব্যৱস্থাৰে প্ৰচলিত হয় কাৰণ শুদ্ধপথত সমাজখনক ৰখাৰ দায়িত্ব সকলোৰে।

জনমানসত এক পবিত্ৰ হৃদয়ৰ স্থান আছে প্ৰভু শ্ৰীকৃষ্ণৰ। ভগৱান শ্ৰীকৃষ্ণৰ যোল্ল হাজাৰ গোপিনীৰ সৈতে নিস্বাৰ্থ প্ৰেম আছিল, সেই কথা সুন্দৰ ভাৱে ভাগৱত আৰু অনেক ধৰ্মীয় গ্ৰন্থত পঢ়িবলৈ পাইছোঁ। শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত মোহিত হয় গোপিনী সকলেও সকলো পাহৰি যোৱা। ইয়াকে বুজাই ভক্ত আৰু ভগৱানৰ মাজত থকা এক আত্মীক বান্ধোন। ভক্ত ভগৱানৰ কাৰণে শ্ৰেষ্ঠ।

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ৰাসমহোৎসৱ পালন কৰে। শ্ৰীকৃষ্ণৰ জন্ম স্থান -মঠুৰা বৃন্দাৱনটো অলেখ ধুমধামেৰে পালন কৰে। আমাৰ অসমৰ বৰপেটা হাউলী, নলবাৰী, মাজুলী, পলাশবাৰী ইত্যাদি ঠাইতো শ্ৰীকৃষ্ণৰ মহোৎসৱ পালন কৰে। মাজুলীত জীৱন্ত ৰাস উদযাপন কৰে।

১৯৯৩-৯৪ চনৰ ২ নৱেম্বৰত আমাৰ গাঁও শুৱালকুছিৰ ব্ৰহ্মপুত্ৰ বালিচৰত প্ৰথম ৰাস শুভাৰম্ভ হৈছিল। শ্ৰীকৃষ্ণৰ লীলাৰ প্ৰতিটো দৃশ্য শিল্পীৰ মৃন্ময় প্ৰতিমাত খুব সুন্দৰকৈ সজাই পৰাই তোলে। শৰৎৰ পূৰ্ণিমাৰ বিতোপন নিশা প্ৰভুৰ আধ্যাত্মিক দিশটো আমাৰ জনমানসত প্ৰতিফলিত হয় ৰাসৰ মাজেৰে। বৰ্তমানো শুৱালকুছিবাসী সকলো শিল্পী ব্যস্ত আছে ৰাস মহোৎসৱ উদযাপন কৰাৰ প্ৰস্তুতিত.. প্ৰভু ভগৱন্তই সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই আনক।

হে প্ৰভু সনাতম গোপীৰ সঙ্গে
কৰে ৰাস লীলা
জগতক তুমি প্ৰভু মায়াৰে
বান্ধিলা ।।

# অস্পৃশ্য

**প্ৰভাত বণিয়া**



চকুপানীৰে বাট নেদেখা ক্ষণভঙ্গুৰ জীৱনৰ দুখানুভৱ
ধূসৰিত আবেগ আকাংক্ষা
বুজা নুবুজাৰ ভাৱনাত
এদিন মোৰ সৈতে সংপৃক্ত হৈছিল
সৰ্বজন পৰিত্যক্ত এটা তথাকথিত জয়াল পথ
দুখ যাতনা, গালি শাও শপনিত
দুৰ্বিহ হৈ পৰা নিঠৰুৱা পথটোৰ সৈতে
ক্ৰমে মোৰ সম্পৰ্ক গাঢ় হৈ উঠিছিল
নিৰ্জন নিমাও মাও এই পথেৰে নিৰন্তৰ আহ-যাহ
বিষ এটাই কিলবিলাই ফুৰিছিল মোৰ ভৰিৰ পৰা মূৰলৈ
লোকচক্ষুৰ নিলগত থকা পথ
ভগা ছিগা বোকা পানীৰে ভৰা
দুয়ো কাষে হাবি জংঘলে আবৰা
ৰাতি মানুহ নাযায় ভুত প্ৰেত খোজ কাঢ়ি ঘূৰি ফুৰে
দিনত গলে সমদল কৰি যায় দুৰ্ণিৰ পথিক
দুখে ভাগৰে, লাজে অপমানে
চকু পানীৰে বাট নেদেখা হয় আপোন পথ
আপোন পথৰ বিননিত হৃদয় কপি উঠে
পাণ্ডৱ বৰ্জিত পথ আৰু জৰা জীৰ্ণ,
অৱহেলিত মানুহৰ সুখ-দুখৰ একো প্ৰভেদ নাই
মই পথৰ ক্ষোভৰ উমান লও পথেও
মোৰ বুকুৰ স্তূপীকৃত আবেগ বুজিবলৈ আগবাঢ়ি আহে
এটা শানিত সপোনে উক্ দিয়ে
এই পথ এদিন মসৃণ হ'ব
ভদ্ৰ সমাজৰ লানি নিছিগা সোত বব
শোভাযাত্ৰাৰে মুখৰিত হ'ব আকাশ বতাহ
দুখিত, শোকাৰ্ত মানুহৰ মুখত
বিৰিঙি উঠিব কষ্টোপাৰ্জিত শতাব্দীৰ হাঁহি
এনেকৈয়ে দুয়ো দুয়োৰো অধিক আপোন হৈ পৰো ।

# শালীনতা ৰক্ষাৰ দায়িত্ব পুৰুষ-মহিলা সকলোৰে



**নমিতা দাস, শুৱালকুছি শান্তিতোল**

এজন ব্যক্তি ধুনীয়া মানে এইটো অনুমান কৰিব নোৱাৰি যে তেওঁৰ আচাৰ-ব্যৱহাৰ, চাল- চলন কথা কোৱাৰ ভংগীমা, আদি সকলো ফালে সুন্দৰ হ'ব। সদাচাৰে ব্যক্তিগৰাকীৰ ব্যক্তিত্ব ফুটাই টোলে। নম্ৰতা ভদ্ৰতা মানুহৰ অলঙ্কাৰ সেই অলঙ্কাৰ এজন ব্যক্তিৰ পৰিচয়। গতিকে পুৰুষ বা মহিলা দুয়োজনৰে মাত-কথা আচাৰ ব্যৱহাৰে দুয়োৰে পৰিচয় নিৰ্ণয় কৰে।

আমাৰ সমাজত পুৰুষ আৰু মহিলা সকলক পৃথক দৃষ্টিৰে চোৱা হয়। সাধাৰণতে এগৰাকী ছোৱালী বা মহিলাৰ ক্ষেত্ৰত বেছি ভাগে তেওঁৰ ব্যক্তিত্বৰ লগতে তেওঁ কিমান সৰল সহিষ্ণু, সু- মধুৰ ভাষিণী, সু-গুণ সম্পন্না, যিকোনো পৰিবেশতে নিজক কিদৰে চম্ভালি লব সেইটো বিশেষকৈ গুৰুত্ব দিয়া দেখা যায়। কাৰণ মহিলা গৰাকীয়ে সামাজিক বান্ধোনৰ লক্ষ্মণ ৰেখা ডাল অতিক্ৰম কৰিব নোৱাৰে। সমাজৰ প্ৰতিটো ৰীতি-নিতিৰে জীৱন অতিবাহিত কৰিব লাগিব। সৰুৰে পৰা ঘৰখনতো লৰা আৰু ছোৱালীজনীৰ মাজত ছোৱালী জনীকে বেছিকৈ বান্ধোনৰ মাজত ৰাখি সামাজিক আচাৰ ব্যৱহাৰ সমুহৰ জ্ঞান দিয়া দেখা যায়।

গতিকে সৰুৰে পৰা মানসিক ভাৱে এগৰাকী মহিলাই প্ৰস্তোত হয় সহনশীল হ'বলৈ। এই সহনশীলতাই মহিলা গৰাকীক শালীনতা ৰক্ষাৰ বাবে মানসিক ভাৱে প্ৰস্তোত কৰে। কেতিয়াবা কোনো পৰিস্থিতি সাপেক্ষে এগৰাকী মহিলাই পৰিস্থিতিটো যিমান সহজে চম্ভালি লব কিছু ক্ষেত্ৰত পুৰুষ গৰাকী তাৰ ব্যতিক্ৰম। প্ৰত্যেক গৰাকী লোকৰ কিছুমান নিজস্ব বৈশিষ্ট থাকে সেইবোৰ পুৰুষ প্ৰধান সমাজত কেৱল নাৰী গৰাকীৰ ক্ষেত্ৰতে আঙুলিয়াই দিয়া দেখা যায়। এজন পুৰুষে যিকোনো পৰিবেষতে এজন ব্যক্তিৰ লগত মুখামুখি সংঘৰ্ষত লিপ্ত হৈ পৰিবেশ বিনষ্ট কৰি দিলে যি পৰিবেশৰ সুচনা হ'ব এগৰাকী মহিলাৰ ক্ষেত্ৰত কিন্তু বেলেগ পৰিচয় দাঙি ধৰে এইটো ধ্ৰুৰূপ।

সাধাৰণতে এগৰাকী নাৰীত কৈ পুৰুষ সকলৰ সহনশীলতা কম বুলি ভবা হয় যদিও বৰ্তমান সময়ত কিন্তু সেইটো দেখিবলৈ একে হৈ থকা নাই যেতিয়াৰ পৰা নাৰী আৰু পুৰুষ উভয়ে একেলগে সকলো কামত আগবাঢ়ি গৈছে তেতিয়াৰ পৰা নাৰীৰ ওপৰত থকা কিছুমান ধাৰণা সলনি হবলৈ লৈছে । একেখিনি কাম নাৰী বা পুৰুষৰ বুলি নাভাবি সমানে দুয়ো গৰাকীৰ দায়িত্ব আৰু কৰ্তব্য বুলি বৰ্তমান প্ৰজন্মৰ মাজত এক নতুন চিন্তাশক্তিয়ে পোখা মেলা দেখা যায়।

ঘৰ খন হৈছে সমাজৰ এক অবিচ্ছেদ অংগ। ঘৰৰ পৰিবেশ পৰিস্থিতিয়ে সমাজত বাৰুকৈয়ে প্ৰভাৱ পেলাই সেয়ে অকল মহিলা গৰাকীৰ ক্ষেত্ৰতে যদিও ঘৰখনৰ বেছিভাগ দায়িত্ব ভাৰ থাকে পুৰুষ জনো হৈছে ঘৰখনৰ অবিচ্ছেদ অংগ গতিকে পুৰুষ জনৰো আচাৰ- ব্যৱহাৰকে ধৰি কথা-বাৰ্তা, স্বভাৱ-চৰিত্ৰ সকলো খিনিয়ে প্ৰভাৱ বিস্তাৰ কৰে। সেয়েহে এগৰাকী নাৰীৰ যেনেকৈ সমাজৰ প্ৰতি দায়বদ্ধতা আছে পুৰুষ জনৰো নিজৰ ঘৰখনৰ লগতে তেওঁৰো সমাজৰ প্ৰতি সম্পূৰ্ণ দায়বদ্ধতা আছে। সেয়েহে পুৰুষ -মহিলা দুয়োজনৰে শালীনতা ৰক্ষাৰ সম্পূৰ্ণ দায়িত্ব আছে।

# সাম্প্ৰতিক



মিতালি বৰঠাকুৰ, মালিগাওঁ

সাম্প্ৰতিক
তমসাচ্ছন্ন হৃদয়,
ৰাতিৰ নিস্তব্ধতাত
নিয়তি চৰাইজনিৰ করুণ বিননি
আন্ধাৰ আকাশৰ শূণ্যতাত
জোনাকে চন্দ্ৰতাপ তৰিছে ।
বিষাদৰ মেঘবোৰ গলি যোৱাৰ বাটে বাটে
শিপাই আছে 'তুমি' নামৰ এটি উজ্জ্বল তৰা....

# জোনাকৰ বৰষুণ



ৰুমী কলিতা দত্ত,২নং কেন্দুগুৰি, ডিব্ৰুগড়

তোমাৰ সুৰতেই সুৰ ঢালি দিছোঁ
প্ৰকৃতিৰ মৰমত নিজক বিলাই দিলোঁ
কিয়নো গ'লাকৈ
আকস্মিক ভাবে ঐ
আন্ধাৰৰ বাটেৰে
উভতি নহাৰ খোজেৰে
সুখে-দুখে বিচাৰোঁ তোমাৰ গীততে
যুগৰ নায়ক অ অ অ
তোমাৰ গীত শুনি থাকো নিজানতে।
কি মায়াৰে তুমি আমাকো বান্ধিলা
জীৱনৰ পৰানো কিয় বিদায় ল'লা
প্ৰভাতৰ ফুলে আজি
ফুৰিছে বিচাৰি
নাহৰৰ পাতেও নবজায় সুঁহুৰি
জনসমুদ্ৰই কান্দিছে বিচাৰি
নিতৌ বাজি উঠে
গীত "মায়াবিনী"
শেতেলীত বগাকৈ দলিচা পাৰি ।
অনন্তকাললৈ বুকুখন ফাটিছে
বাৰে বাৰে কিয় চকুলোঁ সৰিছে
চিতাৰ জুই নুমাইছে
বুকুৰ জুই জ্বলিছে
কান্দিছে অসমী আই
কেনেকৈ দিবনো বিদায়...
একবিংশ শতিকাৰ তুমি মহাৰজা
সপোন আছিলে বৰ ৰংচঙীয়া
জোনাকৰ বৰষুণ আকৌ হ'বনে কোৱা !

# সফল ব্যক্তিসকল জীৱনৰ প্ৰথম অবস্থাত সদায় অপমানিত হয়

চন্দ্ৰ শেখৰ পৰাজুলী,বিশ্বনাথ চাৰিআলি



ভাৰতৰ মিছাইল মানৱ ৰূপে খ্যাত তথা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালামে নিজা জীৱন কালত বহুতো মহত্বপূৰ্ণ কথাবোৰ লিপিবদ্ধ কৰি থৈ গৈছে। তাৰে ভিতৰতে তেখেতৰ এক অন্যতম অনুভৱ এটিত প্ৰকাশ কৰিছে যে, জীৱনত যিমানেই কষ্ট পাবা সিমানেই অভিজ্ঞতা বাঢ়িব আৰু জীৱনত যিমানেই অভিজ্ঞতা হব সিমানেই শক্তিশালী হৈ উঠিব। অৰ্থাৎ তেখেতৰ এই কথাষাৰ কোৱাৰ তাৎপৰ্য এইটোৱেই যে, জীৱনত শক্তিশালী অৰ্থাৎ সফল হবলৈ হলে জীৱনৰ পোনপ্ৰথমে বহু কষ্টৰ সন্মুখীন হবই লাগিব। কষ্টকৰ জীৱনৰ জৰিয়তে নিজা ব্যক্তিগত অভিজ্ঞতাত বৃদ্ধি হয় আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত এক শক্তিশালী জীৱন গঢ়ি তুলিব পাৰি। যদি এনেকুৱা ধৰণৰ চিন্তাধাৰা যদি এজন মহামানৱ হয় তেন্তে আমি অকনমান কষ্টকৰ জীৱন দেখিলেই কিয় সেই ঠাইটোৰ পৰা আতৰি আহোঁ বা পলায়ন কৰিবলৈ চেষ্টা কৰোঁ ?

আচলতে মোৰ জীৱন অভিজ্ঞতাৰ পৰা যিমানখিনিলৈকে গম পাওঁ প্ৰতিজন সফল ব্যক্তিসকল জীৱনৰ প্ৰথম অবস্থাত সদায় অপমানিত হয়। আৰু সেই অপমানিত হোৱাৰ প্ৰতিশোধবোৰ সফল ব্যক্তিসকলে হাত, ভৰি, মুখ বা শাৰীৰিক বল প্ৰয়োগৰ জৰিয়তে নহয় নিজ নিজ উচ্চ গুণগত মানদণ্ডৰ কৰ্মৰ জৰিয়তে প্ৰকাশ কৰিছে বা প্ৰকাশ কৰে। গতিকে আপুনি যদি বৰ্তমানে আৰ্থিক ৰূপত, পাৰিবাৰিক, বা সামাজিক নাইবা প্ৰেমৰ জৰিয়তে অপমানিত হৈছে তেন্তে নিশ্চিত মনে আপুনি কেৱল নিজে কৰি থকা কৰ্ম বা কৰ্তব্যৰ প্ৰতি নিৰন্তৰ ৰূপত মনোনিবেশ কৰি যাওক। আৰু যেতিয়ালৈকে অন্যান্য সাধাৰণ মানুহৰ তুলনাত আপুনি আগুৱাই যাবলৈ সক্ষম নহয় তেতিয়ালৈকে কেৱল ধৈৰ্য্য সহকাৰে একেটা কৰ্মৰ লগতে লাগি থাকক। আৰু যেতিয়াই আপুনি নেৰানেপেৰাকৈ লাগি থকা কৰ্মৰ জৰিয়তে এদিন সফলতাৰ হাঁহি মাৰিব ঠিক তেতিয়া আপোনাক অতীততে অপমানিত কৰিবলৈ ওলাই অহা লোকসকলে আপোনাক প্ৰথমে আহি আলিংগন কৰিবলৈ আগবাঢ়ি আহিব। গতিকে বৰ্তমানে আপুনি অপমানিত হৈছে তেন্তে আপুনি একেবাৰে চিন্তা নকৰিব। কাৰণ তাৰ প্ৰত্যুত্তৰ আপুনি মুখেৰে নাইবা শাৰীৰিক বল প্ৰয়োগৰ দিয়াৰ পৰিবৰ্তে আপুনি নিজা সৎ কৰ্মবোৰৰ জৰিয়তে দিবলৈ সদায় যত্ন কৰক। আৰু নিজকে এদিন ইমানেই ওপৰলৈ উঠাই তুলিব যাতে সিহঁতে লাজতে আপোনাৰ ওচৰ চাপিবলৈ সাহস গোটাব নোৱাৰে। "সফলতা" শব্দটো উচ্চাৰণ কৰিবলৈ যিমান সহজ। ইয়াক অৰ্জন কৰিবলৈ সিমানেই জটিল সংগ্ৰামৰ সন্মুখীন হব লাগে। জগতৰ জৰিয়তে অপমানিত হোৱাটো প্ৰতিজন সফল মানুহৰ জীৱনৰ এক অংশ বিশেষ।

# ভাগ্যৰ ওপৰত বিশ্বাস কৰি একো লাভ নাই



ভাস্কৰ প্ৰিয়ম হাজৰিকা কৰচুং সত্ৰ, নগাঁও

জীৱন মানেই এক অবিৰত যাত্ৰা। এই যাত্ৰা আমাৰ জন্ম হোৱাৰ লগে লগে আৰম্ভ হয় আৰু মৃত্যুৰ পৰ্যন্ত চলি থাকে। এই যাত্ৰাত সুখ, দুখ, সফলতা, বিপৰ্যয়, লক্ষ্য, আশা, স্বপ্ন সকলোবোৰ জড়িত হৈ থাকে। আমি দৈনন্দিন জীৱনত বহুক্ষেত্ৰতে পিছলি পৰোঁ কিন্তু আমাৰ জীৱনত একোটা সমস্যা আহিলেই আমি দায়িত্বৰ পৰা মুখ ঘূৰাই "ভাগ্য" নামৰ এটা অদৃশ্য শব্দক দোষ উজাৰি সেই কৰ্মৰ পৰা বাৰেপতি বিচলিত হওঁ। যাৰ ফলত আমাৰ দ্বাৰা একোৱেই সুন্দৰভাৱে সম্পাদনা হৈ নুঠে বৰং আমাৰ মন-মগজুত নেতিবাচক চিন্তাই গাঢ় কৰি আমাৰ কৰণীয় তথা আমাৰ মনটোক গিলি পেলায়। আমি লাহে লাহে নিজৰ মাজত থকা শক্তিখিনিক পাহৰি যাওঁ। এক কথাত ক'বলৈ এয়া এটা আমাৰ জীৱনৰ ডাঙৰ বেমাৰ।


সকলো সময়তে নিজৰ ভাগ্যখনক বিশ্বাস কৰি একো নাই যদিহে আমি নিজৰ কৰ্মত মনোনিৱেশ নকৰোঁ। আমি সকলোৱে ভাগ্যক বিশ্বাস কৰোঁ কিন্তু তাৰ আগতে আমি নিজৰ কৰ্মখিনিত কঠোৰ পৰিশ্ৰম, মনোবলেৰে আগবাঢ়িব লাগিব। প্ৰথমে নিজৰ খেলপথাৰখনত নিজকে এজন দুদান্ত খেলুৱৈ হিচাপে গঢ় দিব লাগিব। ভাগ্যক বিশ্বাস কৰি একো লাভ নাই যদিহে তুমি নিজৰ কৰ্মখিনি সঠিকভাৱে সম্পাদনা কৰা নাই।

ভাগ্য একো নহয়। ই মাথোঁ সময়, পৰিস্থিতি আৰু সুযোগৰ মিলন। এই তিনিটা মিলন ঘটাবলৈ হ'লে প্ৰথমে তুমি কৰ্ম কৰিব লাগিব আৰু অকল কৰ্ম কৰিলেই নহ'ব লগতে লাগিব কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য একাগ্ৰতা আৰু নিজস্বতা যাতে হাজাৰ বিফল হ'লেও পৃথিৱীৰ কোনো শক্তিৰে তোমাক কেতিয়াও নিজৰ পথৰ পৰা বিচলিত কৰিব নোৱাৰে। যেতিয়ালৈকে কৰ্ম নকৰে তেতিয়ালৈকে ভাগ্য আহিব নোৱাৰে।

এই পৃথিৱীত সকলোতকৈ অসফলতাৰ প্ৰথম বাক্যশাৰী হৈছে "ভাগ্যত নাই চাগে..।" এয়া হৈছে দুৰ্বল মনৰ বাক্য। জীৱন যদি এইশাৰী বাক্য মনলৈ আনিছে আপুনি কেতিয়াও সফল হ'ব নোৱাৰে। আপুনি নিজৰ বিজয়ৰ পতাকাখন নিজৰ হাতেৰে নমাইছে আৰু যুদ্ধখন ( বাৰপৃষ্ঠাত চাওক)


অসম চৰকাৰ
সমাজ জীৱনৰ বাটকটীয়াসকললৈ সন্মান প্ৰদৰ্শনাৰ্থে
অসম বৈভৱ অসম সৌৰভ অসম গৌৰৱ
বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা
অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে
ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা-২০২৫ ৰ বাবে
মনোনয়ন আহ্বান
বিশেষ সুবিধাৰাজি
JANASANYOG- 2791/25/2-Nov-25
নগদ পুৰস্কাৰ
চৰকাৰী আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়ত
৫ লাখ টকালৈ বিনামূলীয়া চিকিৎসাৰ সুবিধা
চৰকাৰী আৱৰ্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত
বিনামূলীয়া থকা-মেলাৰ ব্যৱস্থা
চৰকাৰী অনুষ্ঠানসমূহত বিশিষ্ট অতিথিৰূপে
নিয়মীয়া আমন্ত্ৰণ
অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছত বিনামূলীয়া ভ্ৰমণ
এগৰাকী ব্যক্তিয়ে নিজকে বা আন এগৰাকী ব্যক্তিক
মনোনীত কৰিব পাৰে
assamcivilianawards.assam.gov.in
প'ৰ্টেলৰ জৰিয়তে লাভ কৰা মনোনয়নসমূহকহে কেৱল
বৈধ বুলি বিবেচনা কৰা হ'ব।
মনোনয়ন দাখিলৰ অন্তিম তাৰিখ
২০ নৱেম্বৰ, ২০২৫
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

# হিয়াৰ আমঠুৰ মহাপ্ৰয়াণ



ইলা ভৰালী ডেকা

জন্ম, মৃত্যু আৰু বিবাহ ঈশ্বৰৰ দাণ। সুখ-দুখ মান-অভিমানেৰে পৰিপূৰ্ণ জীৱন সজাই ল'ব জনাটোৱেই হৈছে সাধনা। মানৱ দৰদী জুবিন গাৰ্গ ও ইয়াৰ ব্যতিক্ৰম নহয়। শিল্পী জীৱন কিমান প্ৰত্যাহ্বানেৰে ভৰা আন এগৰাকী শিল্পীয়ে হাড়ে হিমজুৰে বুজি পাব। পৰিয়াল আৰু সমাজত থাকিও যেন বহুত দূৰত্বৰ বাসিন্দা। খেয়ালি মনে সৃষ্টি ৰচনা কৰোঁতে স্বয়ং নিজেও নাজানে সময়ৰ টিকনি আগফালে ঘুৰিছে। সংগীতৰ সুৰৰ নভোকাশত বিচৰণ কৰোঁতে কেতিয়াবা কেতিয়াবা কেতিয়াবা পৰিয়ালৰ লগত একেটা ঘৰতে থাকিও যেন বহুত আঁতৰত থকা যেন অনুভৱ হয়। এওঁলোক সাধাৰণ মানুহতকৈ ব্যতিক্ৰম ফুলৰ পাপৰিৰ দৰে অন্তৰখন কোমল । সেয়ে হয়তো জনসাধাৰণতকৈ ভাৱ চিন্তা আনতকৈ বহুত ওপৰত।

অসম আৰু অসমীয়াৰ আবেগ হিয়াৰ আমঠুৰ মহাপ্ৰয়াণ ত মোৰ জীৱন পৰিক্ৰমাত বিগত বৰ্ষৰ প্ৰতিচ্ছবি অগাদেৰা কৰিছে। আচলতে বিয়াৰ আগতে সাংস্কৃতিক জগতৰ লগত সম্পূৰ্ণ অচিনাকী আছিলো। অন্য গ্ৰহৰ প্ৰানীৰ লগত বসবাস কৰাৰ দৰে একো কথা বতৰাত মিল নাছিল। ক্ৰমে ক্ৰমে সময় অতিবাহিত কৰি নিজকে এতিয়া সময়ৰ লগত পৰিৱৰ্তন কৰিছোঁ।

নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে মানুহে তৈল মৰ্দন কৰি জীৱন কাঢ়ি নিব ও পাৰে। ইয়াৰ জ্বলন্ত উদাহৰণ স্বৰূপে আমাৰ সকলোৰে হিয়াৰ আমঠু মৰমৰ জুবিন গাৰ্গৰ অসহায় অৱস্থাত ককবকাই থকা মূহুৰ্ত সঁচাকৈয়ে হৃদয় বিদাৰক। নিজৰ স্বাৰ্থ আৰু অৰ্থৰ লোভত মানুহ পাগল হৈ যায় মানবীয়তাক ভুলুণ্ঠিত কৰিছে সমগ্ৰ বিশ্বব্যাসীয়ে স্বচক্ষুৰে দেখা পাইছে। এওঁ এগৰাকী বিশ্ববৰণ্য জনতাৰ আবেগ অনুভৱ হৃদয়ঙ্গম কৰা ভগৱানৰ অংশ আছিল। সেয়ে চাগে তেওঁ আমাৰ মাজৰ পৰা নোহোৱা হোৱা কথাটো সহজে মানি ল'ব নোৱাৰোঁ। যুগে যুগে ভগৱানক ভক্ত ই নতশিৰে পূজা অৰ্চনা কৰে কিন্তু সম্পূৰ্ণ বিপৰীত ছবি দেখিবলৈ পোৱা গৈছে জুবিন অনুৰাগীয়ে নিজৰ জীৱন আহুতি দিও প্ৰাণৰ দেৱতাক সঁচা অৰ্থত কিমান ভাল পায় এয়াই প্ৰমাণ নেকি ?

জীৱন কচুপাতৰ পানী ক'ত, কেতিয়া, কেনেকৈ অভিমন্যুৰ দৰে চক্ৰবেহুৰ মাজত সুমুৱাই মৃত্যুত আসুৰিক তৃপ্তি লাভ কৰি অট্টহাস্য কৰিব বৈ আছে আমি মুঠেও জ্ঞাত নহয়। কিয়নো ঘৰ শত্ৰু বিভীষণ। শত্ৰু বেলেগৰ নহয় ঘৰতে থাকে। ইতিহাস সাক্ষী আছে। নিজৰ প্ৰাণতকৈয়ো ভালপোৱা কৌশল্লাৰ পুত্ৰ ৰামক কৈকেয়ীয়ে ভৰততকৈ অধিক স্নেহ কৰিছিল কিন্তু দাসী মন্থৰাৰ কু প্ৰৰোচনাত ৰাতিপুৱালৈ ৰাজ অভিষেক হ'ব লগীয়া ৰামচন্দ্ৰ বনবাসলৈ প্ৰস্থান কৰিলে। বাস্তৱত সেই একেই প্ৰতিচ্ছবি দেখিবলৈ পোৱা গৈছে জুবিন গাৰ্গে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক বিশ্বাস কৰি দ্বিতীয় পত্নী আখ্যা দিছিল কিন্তু তেওঁক যন্ত্ৰৰ দৰে ব্যৱহাৰ কৰি অৱশেষত ঘৰৰ পৰা দুৰণি দেশলৈ আতৰাই লৈ গৈ পৰিকল্পিত ভাবে আমাৰ অসমৰ নক্ষত্ৰ সংগীত সূৰ্য্যক নোহোৱা কৰাটো শ্বাস ৰুদ্ধ কাৰি কাহানিও নভবা ঘটনা ।


ঈশ্বৰক তেওঁ মানুহৰ মাজতহে বিচাৰি পাইছিল। দেৱাদিদেৱ মহাদেৱৰ দৰে তেওঁ মানৱ জীৱনত হলাহল বিষপান কৰি আনক সহায় কৰি যথেষ্ট সুখী হৈছিল। কাৰোবাক পঢ়ুৱাব, কোনোবা নৰীয়াক, অচিন বেমাৰৰ পৰা সুৰক্ষিত কৰি গুৰু দায়িত্ব লোৱাটো চাগে ভগৱান। সেয়ে তেওঁৰ অবিহনে সমগ্ৰ বিশ্বব্যাপী শোকৰ ছাঁত ম্ৰিয়মান হৈছে। ইচ্ছা কৰিলে তেওঁ মুম্বাইত নিজৰ কেৰিয়াৰ উজ্জ্বলাই ৰাখিব পাৰিলে হয়। অসমৰ আকাশ বতাহত লালিত পালিত দেৱ শিশু স্বৰূপ হিয়াৰ আমঠুৱে আমাক ইয়াকে বুজাব বিচাৰিছিল বৰ্ণবাদী সকলৰ বিপৰীতে আৰু ধৰ্মৰ অন্ধতাৰ বিপৰীতে তেওঁ কৰিছিল বিদ্ৰোহ। এনে ধৰ্মৰ কি প্ৰয়োজন য'ত মানুহে মানুহক মৰম কৰিবলৈ নিশিকাই, এনে ধৰ্ম কিয় লাগে যি ধৰ্ম ই ভোকাতুৰ ব্যক্তিৰ ভোক নিবাৰণ কৰাতো বিবেকত নাহে। এনে উন্নয়ন কিয় লাগে য'ত প্ৰকৃতিৰ লগত মানুহে বসবাস কৰিবলৈ সক্ষম কৰি গঢ়িবলৈ নোৱাৰে। বুদ্ধিজীৱী সকলৰ আগত নিজকে অকলশৰীয়া বুলি কৈয়ো অৰুণ গাৰ্গক নিজৰ পৰিয়ালৰ এজন সদস্য হিচাপে পৰিগণিত কৰিব। আজিৰ বাস্তৱ সমাজত কেইজনৰ সৎ সাহস হ'ব পাৰে। কথাটো এবাৰ আপোনালোকে দকৈ ভবা-চিন্তা কৰিবলৈ আৰম্ভ কৰক।

" মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই" বুলি কোৱা কথাষাৰি বাৰে বাৰে কাণত প্ৰতিধ্বনি হৈ থকা কথাষাৰে নৱ প্ৰজন্মক জুবিনৰ প্ৰতিটো কৰ্মৰাজিয়ে অনুপ্ৰাণিত কৰিছে। যাৰ বাবে এওঁ মৃত্যুৰ পিছতো বিশ্বদৰবাৰত নিজৰ শেষ যাত্ৰাত চতুৰ্থত নিজে নিজৰ ইতিহাস গঢ়িছে । হিন্দু - মুছলিম সকলোৱে নিস্বাৰ্থ ভাৱে জুবিনৰ ইহলোকৰ পৰা পৰলোক গমন কৰা নশ্বৰ দেহ এবাৰ দৰ্শন কৰিবলৈ উজনী -নামনী অসম সহিতে প্ৰবাসী ভাৰতীয় লোকে লোকাৰণ্য হৈ বিৰল মূহুৰ্ত সঁচাকৈয়ে স্মৰণীয় হৈ ৰব। জুবিন গাৰ্গ অসমৰ নহয় সমগ্ৰ বিশ্বব্যাপী বিশেষকৈ আমাৰ সকলোৰে মৰমৰ মন কৰিবলগীয়া কথা এই ঘটনাৰ পিছত অসমত সুৰৰ যাদুৰে মোহাচ্ছন্ন কৰি কনিষ্ঠৰ পৰা বৃদ্ধ আবাল - বনিতালৈ সমানে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

জুবিন গাৰ্গক আমাৰ মাজৰ পৰা চলনাৰে নোহোৱা কৰিলে। আজীৱন হিয়াৰ আমঠু আমাৰ সকলোৰে মাজত জীয়াই ৰখাৰ আপ্ৰান চেষ্টা কৰিব লাগিব। অসমৰ আকাশে বতাহে প্ৰতিজন অসম অসমীয়াৰ বুকুৰ মাজত সুৰৰ মাজেৰে জীয়াই ৰখাৰ বাবে আহা আমি একেলগে প্ৰতিজ্ঞাবদ্ধ হওঁ ।

সঁচাকৈয়ে জুবিন গাৰ্গে নিজৰ মনৰ অনুভৱ প্ৰকাশ কৰাৰ দৰেই - " মই নথকাৰ অনুভৱ যিদিনা হ'ব তোমাৰ" । I Will NEVER Go .............

# জুবিন, মুক্ত আৰু সত্য



আব্দুৰ ৰহিম আহমেদ, বৰপেটা

মানুহ কিয় মুক্ত হ'ব নোৱাৰে ?
যেনেদৰে জুবিন বিচৰণ কৰে!
মানুহ কিয় মূৰ্তি বনায় ?
মানুহ কিয় মাজাৰ বনায় ?
মানুহ কিয় প্ৰাকৃতিক হ'ব নোৱাৰে ?
প্ৰকৃতি যেনেদৰে সত্যত অবিচল থাকে !!
যদি মুক্তই হ'ব নোৱাৰে মানুহ
কেনেকৈ সত্য পাব ?
মনুষত্য কি বুজিব ?
ভাগ্যক্ৰমে জীৱনটো পায়,
পাইও নিজকে হেৰুৱায় ।
তথাপিও মানুহ কিয় অধ্যয়নমুখী নহয় ?
অন্ধ বিশ্বাসতেই মানুহ কিয় আবদ্ধ হয় ?
য'ত আকাশ আৰু সাগৰেও সঠিক কথাই কয় ।
স্ৰষ্টাৰ কথা নকলোৱেই ...
সুশিক্ষাই সত্যৰ পথ ।
বিবেকো আছে লগত,
তথাপিও সদায় ভিৰ কিয় পৰম্পৰাৰেই সোঁতত ?

# স্বাৰ্থ ভৰা সময়ত অলপ নিস্বাৰ্থ হওঁ আহক

অৰ্ণৱ কটকী,
জাঁজী, যোৰহাট




আজিৰ সময় প্ৰতিযোগিতাৰ সময়। নিজক শ্ৰেষ্ঠতাৰ তুলাচনীত শ্ৰেষ্ঠ কৰাৰ সময়। গতিশীল সময়ৰ সোঁতত অস্পষ্ট হৈ পৰিছে মানৱতাৰ প্ৰচাৰ, পাঠ কিম্বা মনৰ। নিজৰ স্বাৰ্থৰ বাবে হয়তো বহুতেই পিন্ধি লৈছে এখনি ৰঙীণ মুখা। বিবৰ্ণ, অস্ফূত সহায় ভৰা এযাৰ মাত, আনৰ বাবে ভবাৰ সময়ৰ অভাৱ। মাথোঁ শিকি গৈছো দৌৰিব নিজৰ বাবে। বৰ অভাৱ কাষৰ বা চৌপাশৰ জনক নিস্বাৰ্থ ভাৱে সময়, সহায় কৰাৰ। স্থায়ী একো নহয় তাৰ পিছতো...! স্বাৰ্থ লৈ যোগাযোগ ৰাখোঁ বা স্বাৰ্থ সাধন কৰাটোৱেই হয় পৰে আমাৰ লক্ষ্য। নিশ্বাস ত্যাগ কৰো মাথোঁ উশাহ লবলৈকে, তাতো থাকে স্বাৰ্থ কিছু, জীৱন জীয়োৱাৰ স্বাৰ্থ। তাৰ পাছতো কম নিস্বাৰ্থ হওঁ আহক দিনটোত অকণমান সময় হ'লেও নিস্বাৰ্থ ভাৱে পৰা খিনি সহায় বা সময় দিওঁ আহক। ধুনীয়া হ'ব আপোনাৰ জীৱনৰ লগতে সমাজখনো। মনটো ভাল হৈ পৰিব অলপ হ'লেও আপোনাৰো। ভালে থাকক সদায় আপুনিও।

# মুক্তি পালে জুবিন গাৰ্গৰ

প্ৰাণৰ শিল্পীৰ বাবে বিশেষ আসন সংৰক্ষিত কৰি ৰখা পৰিলক্ষিত হয়। 'ৰৈ ৰৈ বিনালে'ৰ নেতৃত্বত স্বয়ং জুবিন গাৰ্গৰ উপৰি আছে বিশিষ্ট চলচ্চিত্ৰ পৰিচালক ৰাজেশ ভূঞা আৰু শিল্পীপত্নী গৰিমা গাৰ্গ। ছবিখনৰ পৰিচালনা ৰাজেশ ভূঞা, কষ্টিউম ডিজাইনাৰ গৰিমা শইকীয়া গাৰ্গ, কাহিনী আৰু স্ক্ৰীপ ৰাইটিং ৰাহুল গৌতম শৰ্মাৰ। আনহাতে অসমৰ ছবি ইতিহাসৰ সকলো ৰেকৰ্ড ভংগ কৰি 'ৰৈ ৰৈ বিনালে' পুৱতি নিশা ৪.২৫ বজাত শুভমুক্তি হয়। গুৱাহাটী মহানগৰীৰ বেলতলাস্থিত মেট্ৰিক্স চিনেমাত পুৱতি নিশা ৪.২৫ বজাত বোলছবিখনৰ শুভমুক্তি হয়। আনহাতে ধেমাজিৰ আৰ আৰ চিনেমাত পুৱতি নিশা ৪.৩০ বজাত বোলছবিখনৰ শুভমুক্তি হয়। নিশা আঢ়ৈ বজালৈকে অসমৰ ছবিগৃহত বোলছবিখন চলাৰ সম্ভাৱনা আছে। পুৱতি নিশাৰ পৰাই 'ৰৈ ৰৈ বিনালে' চাবলৈ অশীতিপৰ বৃদ্ধ-বৃদ্ধাই দৰ্শকৰ শাৰীত শাৰী পতা কাৰ্যই অসমীয়া বোলছবি জগতৰ বাবে আন এক বাৰ্তা বহন কৰি আনিছে। বহু বিশেষভাৱে সক্ষম লোকেও বোলছবিখন দৰ্শন কৰিবলৈ আহি হুকহুকাই কান্দি উঠা পৰিলক্ষিত হৈছে। অসমৰ বোলছবি ইতিহাসত বুক মাই শ্ব'ৰ জৰিয়তে আগন্তুক এসপ্তাহলৈ সকলো বোলছবি গৃহৰ আসন সংৰক্ষণ কৰিছে ৭ লক্ষাধিক জুবিন অনুৰাগী দৰ্শকে। আগন্তুক ১৫ দিনলৈ অসমৰ ছবিগৃহত কোনো আসনেই খালী হোৱাৰ সম্ভাৱনা নাই বুলি স্পষ্ট কৰিছে বোলছবি গৃহ স্বত্বাধিকাৰীসকলে। তাৰ উপৰি অসমৰ বোলছবি পৰিচালকসকলে আগন্তুক তিনি-চাৰি মাহলৈ নতুন অসমীয়া বোলছবি ছবিগৃহলৈ অহাৰ সম্ভাৱনা নুই কৰিছে। অসমৰ বোলছবিগৃহ স্বত্বাধিকাৰী সংস্থাই 'ৰৈ ৰৈ বিনালে' চলি থকা অৱস্থাত কোনো হিন্দী ছবি প্ৰদৰ্শন কৰা নহ'ব বুলিও ইতিমধ্যে স্পষ্ট কৰি দিছে।

# নৱেম্বৰ মাহত অসমলৈ

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উক্ত দিনাই সন্ধিয়াৰ ভাগত উজানবজাৰৰ পৰা কাছাৰীঘাটলৈ সাজি উলিওৱা ৰিভাৰ ফ্ৰন্ট উদ্বোধন কৰিব। অহা ৮ নৱেম্বৰত কেন্দ্ৰীয় মন্ত্ৰী সীতাৰমণে গুৱাহাটীৰ পৰা গহপুৰলৈ গৈ ভোলাগুৰি চাহ বাগিচাত শ্বহীদ কনকলতা বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। অহা ৯ নৱেম্বৰত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং গুৱাহাটীত উপস্থিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত ফাঁচীবজাৰৰ লাচিত ঘাটৰ ব্ৰহ্মপুত্ৰৰ ওপৰত ১৫০ ফুট ভাৰতীয় বায়ুসেনা বাহিনীয়ে আকাশমাৰ্গত এক এয়াৰ শ্ব' কৰিব। এই এয়াৰ শ্ব'ত বায়ুসেনা বাহিনীৰ ৰাফেল, ছুখয় আদিকে কৰি অত্যাধুনিক ফাইটাৰ বিমানে অংশ ল'ব। ইফালে, ৭নৱেম্বৰত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত জাগীৰোডত স্থাপন হোৱা ছেমিকণ্ডাক্টৰ প্ৰকল্পটো পৰ্যবেক্ষণ কৰিব আৰু ৩০০ ষ্টাৰ্টআপৰ সৈতে বাৰ্তালাপ কৰিব।

# বিশিষ্ট শিল্পী চৈয়দ

১৯৬৫ চনত ডিব্ৰুগড়ৰ ডি এইচ এছকে কলেজৰ ছাত্ৰ হৈ থাকোঁতে তেওঁ অসমৰ জনপ্ৰিয় ৰক বেণ্ডদ্য কুইভাৰ্ছৰ মুখ্য গীটাৰিষ্টো আছিল। সম্প্ৰচাৰক হোৱাটো তেওঁৰ শৈশৱৰ এক সপোন আছিল আৰু সেয়া বাস্তৱলৈ পৰিণত হৈছিল যেতিয়া তেওঁ ১৯৭১ চনত আকাশবাণীত ঘোষক হিচাপে ডিব্ৰুগড়ত প্ৰায় পাঁচ বছৰ ধৰি আন্তৰিকতাৰে সেৱা আগবঢ়াইছিল। সংগীতৰ প্ৰতি থকা আকৰ্ষণ আৰু ৰেডিঅ'ৰ প্ৰতি থকা প্ৰেমৰ বাবেই তেওঁ অসম আৰক্ষীয়ে আগবঢ়োৱা আৰক্ষী বিষয়াৰ চাকৰি ত্যাগ কৰি ডিব্ৰুগড় আকাশবাণীত ষ্টাফ শিল্পী হিচাপে ১৯৭৫ চনত যোগদান কৰে। ডিব্ৰুগড়ৰ নালিয়াপুলৰ এম আৰ ৰোডৰ স্থায়ী নিবাসী তথা আৰফান উল্লাহ আৰু আনোৱাৰা বেগমৰ সন্তান চৈয়দ ছাদুল্লা ১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত জন্মগ্ৰহণ কৰি শৈশৱৰে পৰা সাংস্কৃতিক জগতত ভৰি দিছিল। এগৰাকী সংগীত সুৰকাৰ, সংগীতজ্ঞ , কণ্ঠশিল্পী, বাতৰি পাঠক, নাট্যকাৰ, প্ৰযোজক, অভিনয়, মঞ্চ এংকৰ আৰু চিত্ৰনাট্য লেখক হিচাপে ৪৩ বছৰীয়া এক বৰ্ণিল কৰ্মজীৱনে সাংস্কৃতিক জগতক উজলাই গৈছে। তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰথমগৰাকী বাতৰি পঢ়োতা আছিল। তেওঁ দূৰদৰ্শন, নেচনেল জিঅ'গ্ৰাফিক চেনেল আৰু ডিছক'ভাৰী চেনেলৰ সৰ্বমুঠ ১০০খনতকৈ অধিক ডকুমেণ্টৰীৰ ঘোষক আছিল। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ এসময়ৰ প্ৰতি দেওবাৰে সন্ধিয়া চাৰে সাতটা বজাত পোন্ধৰ মিনিটৰ বাবে প্ৰচাৰিত মনোৰঞ্জনধৰ্মী অনুষ্ঠান 'বৰ্ণালী' অনুষ্ঠানৰ সঞ্চালক আছিল। শিৱসাগৰ জিলা সাহিত্য সভাই আগবঢ়োৱা জিকিৰ শিল্পী কেৰিমুদ্দিন আহমেদ সোঁৱৰণী শিল্পী বঁটা ২০২৫ বৰ্ষৰ বাবে চৈয়দ ছাদুল্লাক প্ৰদান কৰিছিল। তেওঁৰ মৃত্যুই ৰাজ্যৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পেলাইছে।

# অষ্ট্ৰেলিয়াক পৰাস্ত কৰি

চেম্পিয়ন অষ্ট্ৰেলিয়াক পাঁচ উইকেটত পৰাস্ত কৰে। মন কৰিবলগীয়া যে ভাৰতে তৃতীয়বাৰৰ বাবে এদিনীয়া মহিলা বিশ্বকাপৰ ফাইনেলত উপনীত হয়। মেচখনত অষ্ট্ৰেলিয়াই জয়ৰ বাবে বান্ধি দিয়া ৩৩৯ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি জেমিমা ৰড্ৰিগুৱেজৰ দুৰ্দান্ত অপৰাজিত বচজ্জ্বাৰু অধিনায়িকা হৰমনপ্ৰীতৰ দায়িত্বশীল ৮৯ ৰানৰ সহায়ত ভাৰতে ৪৮.৩ অভাৰত ৫টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলীয় স্ক'ৰ ৫৯ ৰানত অ'পেনাৰদ্বয় শ্বেফালি বাৰ্মা (১০) আৰু স্মৃতি মান্ধানাক (২৪)হেৰুৱাই দলটোৱে বিপদত পৰিছিল যদিও জেমিমা আৰু হৰমনপ্ৰীতে তৃতীয় উইকেটত ১৬৭ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। ইপিনে, দীপ্তি শৰ্মাই ২৪, ৰিছা ঘোষে ২৬ আৰু অমনজ্যোৎ কৌৰে অপৰাজিতভাৱে ১৫ ৰানৰ অৰিহণা আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ কিম গাৰ্থ আৰু এনাবেল ছাডাৰলেণ্ড উভয়ে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয় সত্বেও অ'পেনাৰ ফিবি লিছফিল্ডৰ দৰ্শনীয় ১১৯, এলিছ পেৰীৰ ৭৭ আৰু এছলি গাৰ্ডনাৰৰ ৬৩ ৰানৰ সহায়ত অষ্ট্ৰেলিয়াই ৪৯.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৮ ৰান সংগ্ৰহ কৰে। বেথ মুনিয়ে ২৪ ৰানৰ অৰিহণা আগবঢ়ায়। ২ নৱেম্বৰত নৱী মুম্বাইত হ'বলগীয়া খিতাপ যুঁজৰ মেচখনত ঘৰুৱা দল ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰথম ছেমিত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক পৰাস্ত কৰিছিল।

# লখিমপুৰত সুধাকণ্ঠৰ প্ৰতিমূৰ্তি

শতবাৰ্ষিকী চলি থকা বছৰটোতে লখিমপুৰত লখিমপুৰ বিশ্ববিদ্যালয়ৰ সমীপত তেওঁৰ এই বিশাল প্ৰতিমূৰ্তিটো উন্মোচন কৰা হৈছে। তাৰ বাবে মই স্থানীয় বিধায়ক মানৱ ডেকাৰ লগতে লখিমপুৰৰ ৰাইজক ধন্যবাদ আৰু অভিনন্দন জনাইছোঁ। অগপৰ সৈতে মিত্ৰতাৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অগপ এটা স্বতন্ত্ৰ ৰাজনৈতিক দল। অগপ বিজেপিৰ অধীন নহয়। তেওঁলোকৰ নিজা আদৰ্শ আছে। নিজা দৃষ্টিভংগী আছে। নিৰ্বাচনৰ আগতে বিজেপিৰে মিত্ৰতা হয়, আসন বুজাবুজি কৰে। মই তেওঁলোকৰ দলীয় কথাত মন্তব্য দিব নোৱাৰোঁ। ২০২৬ৰ নিৰ্বাচনৰ আগত আমি কথা পাতিম। যদি কথা মিলে মিত্ৰতা হ'ব। যদি নিমিলে আমি আকৌ আলাপ-আলোচনাত বহিব লাগিব। কিন্তু এই পৰ্যন্ত তেওঁলোকৰ সৈতে কথা পতা নাই। জানুৱাৰী মাহতহে আমি কথা পাতিম। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে ঘটনাটোত এজন মুখ্যমন্ত্ৰীয়ে যিমান কৰিব পাৰে মই তাৰ কোনো কম কৰা নাই। বৰং এখোপ বেছিহে কৰিছোঁ। সেই কথা সময়ে প্ৰমাণ কৰিব। আৰক্ষীয়ে যিদিনা চাৰ্জশীট দিব, সেইদিনা প্ৰমাণ হ'ব আমি কিমান কষ্ট কৰি, গুৰুত্ব দি ঘটনাক্ৰম পাৰ কৰিছোঁ। উক্ত এই কাৰ্যসূচীত লখিমপুৰৰ বিধায়ক মানৱ ডেকা, বিহপুৰীয়াৰ বিধায়ক অমিয় ভূঞা, ঢকুৱাখনাৰ বিধায়ক নৱ দলে, যুৱ আয়োগৰ সদস্য ঋষিৰাজ হাজৰিকাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# জুবিনক্ষেত্ৰ পৰিদৰ্শন গৰিমা

দিয়া হৈছে। ইপিনে ক্ষেত্ৰৰ ভূমিৰ পৰিসৰ সন্দৰ্ভত তেওঁ কয় যে এতিয়া প্ৰায় দহ বিঘা ভূমি আছে যদিও পৰিসৰটো ডাঙৰ হ'লে ভাল হয়। এইক্ষেত্ৰত স্থানীয় ৰাইজে ৩০-৪০ বিঘা ভূমি ঠিক কৰি দিব বুলি উল্লেখ কৰে। জুবিনক্ষেত্ৰক এটা সম্পূৰ্ণ সাংস্কৃতিক, প্ৰাকৃতিকভাৱে এটা সুন্দৰ জুবিনক্ষেত্ৰ কেন্দ্ৰ কৰিব বিচাৰিছোঁ। বৰ্তমান সেইটো আৰ্হি কৰা নাই যদিও ইতিমধ্যে কৰাৰ বাবে সকলো প্ৰস্তুত কৰা হৈছে। লগতে তেওঁ কয় যে জুবিনক্ষেত্ৰৰ গাতে লাগি থকা স্থানীয় জনজাতীয় ৰাইজৰ ৰাজহুৱা শ্মশানখনৰ বাবে দুই বিঘা মাটি দিয়া হ'ব। জুবিনক্ষেত্ৰৰ ওচৰে-পাঁজৰে থকা সকলো জাতি-জনজাতীয় লোকসকলকো সন্মান কৰি কয় যে জুবিনক্ষেত্ৰৰ সকলো কামৰ বাবে সহযোগ কৰিব লাগিব। জুবিনৰ স্মৃতিৰ বাবে সেই স্থানতে এটা ৯-১০ ফুট ওখ জীয়া শিল স্থাপন কৰাৰ কথাও স্থানীয় লোকে কয়। এইক্ষেত্ৰত গৰিমা শইকীয়াই কয়, সেয়া আমাৰ বাবে, জুবিনৰ সন্মানৰ বাবে। কাৰণ জুবিন সকলোৰে অন্তৰত আছে, তেওঁ সকলোৰে বাবে। এটা আচৰিত কথা যে এঘাৰ বছৰ পূৰ্বে যোৰহাটৰ পৰা অনুষ্ঠান সামৰি আহি থাকোঁতে সোণাপুৰৰ পাটৰকুছিত এটা ওখ শিলৰ কাষতে বহি ফটো উঠিছিল জুবিনে। এই ফটোখনে পৰৱৰ্তী সময়ত বহু ভাইৰেল হৈ পৰিছিল। তেনেক্ষেত্ৰত জুবিনৰ জীৱনৰ শেষ ঠিকনা সোণাপুৰতে হ'ল। কিবা যেন এটা সংযোগ নিশ্চয় আছে। কেনেকুৱা ঐশ্বৰিক সেইটো নাজানো। ভাবিছোঁ ভগৱানৰে সেয়া কিবা আশীৰ্বাদ বুলিও কয় গৰিমাই। আনহাতে 'ৰৈ ৰৈ বিনালে' ছবিখন সকলোকে চোৱাৰ আহ্বান জনাইছে তেওঁ। ছবিখনৰ কাম চলি থকাৰ সময়ত স্ক্ৰীনত এটা গানো মই ভালকৈ চাব পৰা নাছিলোঁ। আপোন মানুহজনৰ সপোনৰ ছবিখন মই কেনেকৈ চাম মই নিজকে প্ৰস্তুত কৰিব পৰা নাই বুলি কৈ আৱেগিক হৈ পৰে গৰিমাই। সকলোৱে ছবিখনক মৰম দিছে। জুবিনৰ সপোন পূৰণ হ'ব। আজি জুবিনে যদি স্ব-চক্ষুৰে ছবিখন চাব পাৰিলহেঁতেন বহুত সুখী হ'লহেঁতেন। অসমীয়া ছবিৰ যাত্ৰাক লৈ তেওঁৰ যিটো সপোন দেখিছিল সেয়া পূৰণ হ'ব তেওঁৰ 'ৰৈ ৰৈ বিনালে' ছবিখনৰ যোগেদি। ইয়াৰ পিছৰে পৰা অসমীয়া ছবিৰ সাংঘাতিক উত্তৰণৰ দিশে আগবাঞ্জৰি। ছবিখনৰ জি এছ টি সন্দৰ্ভতো গৰিমাই কয় যে ইতিমধ্যে জি এছ টিৰ ধনখিনি কলাগুৰু ফাউণ্ডেচনত জমা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৈছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই গৰিমাই কয় যে জমা ধন কাৰোবাৰ শিক্ষা, চিকিৎসাৰ বাবে সহায় কৰা হ'ব। জুবিনক্ষেত্ৰৰ নিৰ্মাণৰ কামখিনি খৰতকীয়াকৈ নকৰি ধীৰ-সুস্থিৰে কৰক। কাৰণ খৰধৰকৈ কৰিলে কাম বেয়া হ'ব।লাহে লাহে কৰক সুন্দৰকৈ কৰক। জুবিনৰ জন্মৰ দিন নৱেম্বৰত। সেই বাবে তেওঁৰ স্মৃতিত কিছুমান সামাজিক কামো কৰি থকা হৈছে। বিশেষকৈ খানাপাৰাৰ পৰা সোণাপুৰ-জাগীৰোডলৈ সমগ্ৰ ৰাষ্ট্ৰীয় পথছোৱাৰ কাষত নাহৰৰ পুলি ৰোপণৰ কাম কৰা হৈছে। গাঁৱে-ভুঞেও ৰুব লাগিব নাহৰ। জুবিনে যিহেতু কৈ গৈছিল, য'তেই নাহৰ থাকিব তাতেই জুবিন থাকিব। চিৰ সেউজ নাহৰৰ মাজতে জুবিনে শান্তিৰে থাকিব। জুবিনৰ যিখিনি সৃষ্টিৰাজি তাক শৃংখলাবদ্ধ ভাৱে ৰাখিব লাগিব। ইতিমধ্যে বিশাল কলিতা নামৰ লোকজনে জুবিনৰ বহু গীত সংৰক্ষণ কৰিছে। সেইখিনি আমি কাগজে-পত্ৰই ৰাখিব লাগিব বুলি কয় গৰিমা শইকীয়া গাৰ্গে। কাৰণ সংৰক্ষণৰ ব্যৱস্থা কৰিলেহে পিছৰ প্ৰজন্মই জুবিনৰ বিষয়ে জানিব পাৰিব। শুদ্ধভাৱে আমি সংৰক্ষণ কৰিব লাগিব। পৰ্যায়ক্ৰমে সকলো কাম লাহে লাহে কৰিব লাগিব। জুবিনে যেনেদৰে সামাজিক কামসমূহ কৰিছিল তেনে পৰিসৰৰ সকলো কৰিব, আমি কৰিব নোৱাৰিলেও অসমবাসী ৰাইজৰ সহযোগত যিমান পাৰোঁ কৰি যাম। সৰু-সুৰাকৈ হ'লেও আমি প্ৰকৃতিৰ বাবে, মানুহৰ বাবে, জীৱ-জন্তুৰ বাবে কৰিবৰ বাবে চেষ্টা কৰিম বুলি কয় গৰিমা শইকীয়া গাৰ্গে।

# জীৱিত কালত জুবিনক কষ্ট দিয়া

জুবিন গাৰ্গৰ সৈতে অত্যন্ত বেয়া ব্যৱহাৰ কৰিছিল বুলিও কেন্দ্ৰীয় বিদেশ ৰাজ্য মন্ত্ৰীজনে অভিযোগ কৰে। তেওঁ কয় যে ৰাজ্যৰ বিৰোধী দলসমূহৰ নেতাসকলে এতিয়া বাছে বাছে জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰলৈ মানুহ পঠিয়াই আছে। প্ৰিয় শিল্পীজনক লৈ বিৰোধী দলসমূহে দৰাচলতে ৰাজনীতি কৰি থকা বুলিও পবিত্ৰ মাৰ্ঘেৰিটাই অভিযোগ উত্থাপন কৰে। জুবিন গাৰ্গক হত্যা কৰা হৈছিল বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কৰা মন্তব্যক লৈ নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কেন্দ্ৰীয় মন্ত্ৰী মাৰ্ঘেৰিটাই কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰীজন অসমৰ গৃহমন্ত্ৰীও। গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীৰ ওচৰত এছ আই টিয়ে কৰা তদন্তৰ তথ্য থাকিব পাৰে বুলি মন্তব্য কৰি কয় যে বিষয়টোক লৈ অখিল গগৈ আৰু লুৰিণজ্যোতিয়ে অহেতুক বিতৰ্ক তথা ৰাজনীতি কৰি আছে। উল্লেখ্য যে দেশৰ বিভিন্ন প্ৰান্তত শুভমুক্তি পোৱা জুবিনৰ ৰৈ ৰৈ বিনালে ছবিখন চাই আৱেগিক হৈ পৰা মাৰ্ঘেৰিটাই কয় মই জুবিন গাৰ্গৰ অভিনয়ৰ এজন সমালোচক। জুবিনে ছবিখনত অতি সুন্দৰ অভিনয় কৰিছে। আনহাতে কেন্দ্ৰীয় বৈদেশিক ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ৪ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ চৰকাৰী কাৰ্যসূচীৰে লেটিন আমেৰিকা আৰু কেৰিবিয়ান অঞ্চলৰ তিনিখন দেশ ইকুৱেডৰ, বলিভিয়া আৰু কিউবা ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে উক্ত দেশসমূহৰ ৰাজনৈতিক নেতৃত্বক সাক্ষাৎ কৰি দুয়ো পক্ষৰ স্বাৰ্থ বিজড়িত বিষয়সমূহ আলোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাণিজ্য, প্ৰযুক্তি, পৰ্যটন, উন্নয়নমূলক সহযোগিতা আৰু সক্ষমতা নিৰ্মাণৰ ক্ষেত্ৰত পৰস্পৰে আগবঢ়াৰ বাবে আলোচনা ভাগ ল'ব। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে বাণিজ্যিক প্ৰতিনিধিবৰ্গ আৰু প্ৰবাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব।

# গৌৰৱ গগৈ এশ শতাংশ

এজেন্ট। মোৰ লগত যিমান তথ্য আছে মই যিদিনাখন আপোনালোকক দিম, সেইদিনাখন আপোনালোকে গম পাব তেওঁ এশ শতাংশ পাকিস্তানী এজেন্ট। তেওঁ বিদেশী শক্তিৰ সহায় লৈ দেশৰ বিৰুদ্ধে পৰিকল্পনা কৰে। তাৰ উপযুক্ত প্ৰমাণ লৈ কথাটো মই কৈছোঁ। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয়- নিয়মমতে নিৰ্বাচন আছে বুলি কঠোৰ হোৱা নাই। নিৰ্বাচন নাথাকিলে আৰু অধিক কঠোৰ দেখুৱাই দিলোঁ হয়। নিৰ্বাচনৰ আগত কিবা এটা কৰিলে মানুহে ক'ব যে ৰাজনৈতিক কাৰণত এয়া কৰিছে। নহ'লে মোৰ হাতত যিমানখিনি তথ্য আছে, তাৰ পিছত তেওঁ আচলতে মুকলিভাৱে ঘূৰি-ফুৰি থাকিবই নোৱাৰে। কোনোবাই ভাবিছে, কাগজ নাই নেকি, ১০ ছেপ্টেম্বৰত দেখুওৱা নাই। কিন্তু মই ময়েই হয়, মই যি কৰিব লাগে টাইমত কৰিমেই। এজন মুখ্যমন্ত্ৰী হিচাপে মই কৈ আছোঁ- তেওঁ এজন পিউৰ পাকিস্তানী এজেন্ট। হি ইজ এ প্লেন্টেড পাৰ্জন। বিষয়টোক লৈ মই সংবাদ মেল পতা নাই, নহ'লে ক'ব যে জুবিনৰ ইছ্যু ডাইভাৰ্ট কৰা বুলি। গতিকে জুবিনক ন্যায় প্ৰদান কৰা কামটো কৰি লৈ এই কামত হাত দিম। উল্লেখ্য যে গৌৰৱ গগৈৰ পাকিস্তান সংযোগ সন্দৰ্ভত গঠন কৰা এছআইটিয়ে তদন্ত কৰি ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। ইফালে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয়- কংগ্ৰেছ দল আৰু অসমত থকা মিঞা পাৰ্টীয়ে লগ লাগি ৰাজ্যখনক বাংলাদেশৰ সৈতে লগ লগাবলৈ বিচাৰে। তেওঁলোকে সেই কাৰণে ইয়াত বাংলাদেশৰ ৰাষ্ট্ৰীয় সংগীতো গায় আৰু ইয়াক ন্যায্য বুলিও দাবী কৰে। অসমৰ ভৱিষ্যৎ বহুত বেছি ভাল ভৱিষ্যৎ নহয়। মিঞাসকলে যিধৰণে আগবাঢ়িছে, অসমক ধ্বংস কৰি পেলাব। অসমীয়া মানুহ যিমান সোনকালে সজাগ হয়, সিমানেই আমি বাচিব পাৰিম। নহ'লে আমাৰ জীৱনকালতে অসমখনক তেওঁলোকে লৈ ল'ব। মাটি দখল কৰিছে, ছোৱালী উঠাই লৈ গৈছে সেই ইছ্যুবিলাকৰ সৈতে জুবিন গাৰ্গৰ ন্যায়ৰ ইছ্যু তুলনা নহয়। সেইবোৰ আমাৰ জীৱন মৰণৰ সমস্যা। আমি কেনেকৈ জীয়াই থাকিম? এই ইছ্যুটো ডাইভাৰ্ট হ'ব নোৱাৰে। বাংলাদেশী মিঞা ইছ্যু অসমত অহা ৩০ বছৰলৈ থাকিব। এই ইছ্যুটো কোনেও ডাইভাৰ্ট কৰিব নোৱাৰে। সত্ৰৰ মাটি লৈ যোৱা, লাভ জেহাদ ইছ্যু হিমন্ত বিশ্ব শৰ্মাই বনোৱা ইছ্যু নহয়।

# মই হত্যাকাণ্ড বুলি কৈছিলো,

ড° শৰ্মাই কয়- মই ৰাজ্যৰ গৃহমন্ত্ৰী, যিখিনি গম পাব লাগে সেয়া গম পাবই লাগিব। অভিযোগনামা দাখিলৰ ক্ষেত্ৰত ১৭ ডিচেম্বৰ অন্তিম দিন। যোৱা ১৯ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ মৃত্যু হৈছিল। মৃত্যুৰ দিনৰ পৰা ১৭ ডিচেম্বৰ চাৰ্জশ্বীট দাখিলৰ শেষ সময়। এছআইটিয়ে কোৱা মতে, শেষ সময়সীমাৰ আগতেই চাৰ্জশ্বীট দাখিল কৰিব পৰা যাব। কেইজনমানে মোক হত্যা বুলি কোৱাৰ বাবে জোকাই থাকে। তেওঁলোকৰ মুখতো চূণ পৰিব। মই ব্ৰডকাষ্টত হত্যা বুলি কৈছিলোঁ। হত্যা বুলি কোৱাৰ কাৰণে একাংশই কৈ থাকে- চিএমে হত্যা বুলি কৈছে। কিন্তু চিএমে যি কয়, ভাবি-চিন্তি কয়। চিএমে এটা কথাও উপৰুৱাকৈ নকয়। মুখ্যমন্ত্ৰীয়ে কয় যে জুবিন গাৰ্গৰ ন্যায় প্ৰদানৰ ইছ্যুটো মোৰ বাবে ক্ল'জ ইছ্যু। ইতিমধ্যে মই নিৰ্দেশ দি দিছোঁ যে ১৭ ডিচেম্বৰত চাৰ্জশ্বীট দিবই লাগিব। একাংশই ন্যায় লাগে বুলি কৈ আছে আৰু কিছুমানে ন্যায় দিব লাগে বুলি কৈ আছে। ইয়াত দুই ধৰণৰ মানুহ আছে। কিছুমানে কৈ আছে ন্যায় লাগে, কিছুমানে কৈ আছে ন্যায় দিবলৈ কৈ আছে। যোৱা এমাহ ধৰি দিনে-ৰাতিয়ে একাংশই ন্যায় দিবলৈ চেষ্টা চলাই আছে। ন্যায় বিচৰাসকলে যিসকলে ন্যায় দিবলৈ যোৱা এমাহ ধৰি কষ্ট কৰি আছে, তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিব লাগে যাতে তেওঁলোক সফল হয়। সামাজিক মাধ্যমত জাষ্টিচ ফৰ জুবিন লিখিলেই জুবিনে ন্যায় নাপায়। ন্যায় দিবলৈ পৰিশ্ৰম কৰিব লাগিব। এছআইটিয়ে সেই পৰিশ্ৰম দিনে-ৰাতিয়ে কৰি আছে, ইলেক্ট্ৰ'নিক এভিডেঞ্চ, মেডিকেল এভিডেঞ্চ, ক্ৰছ একজামিনেচন, আদালতত ১৬৪ ষ্টেটমেন্ট ৰেকৰ্ডিং-নীৰৱে তেওঁলোকে বহু ডাঙৰ কাম কৰি আছে। তেওঁলোকৰ কামৰ পৰা গম পোৱা গৈছে যে যিসকলৰ অলপো সন্দেহ আছে যে জুবিন গাৰ্গে জাষ্টিচ নাপাব নেকি ১৭ ডিচেম্বৰত তেওঁলোকে নিজেই নিজৰ ভাষ্য সলনি কৰিব লাগিব। তেওঁলোকে ক'বলৈ বাধ্য হ'ব যে অসমৰ এছআইটিয়ে এটা সুন্দৰ কাম কৰিবলৈ সক্ষম হৈছে। পূৰ্বেও মই মানুহক ভুল প্ৰমাণিত কৰি আহিছোঁ, এইবাৰো অখিল গগৈৰ দৰে লোক পুনৰ মিছা বুলি প্ৰমাণিত হ'ব। আমি আকৌ এবাৰ ৰাইজৰ ওচৰত প্ৰমাণ কৰিম আমি কিমান দায়বদ্ধ।

# এছআইটিয়ে ১০

ডিচেম্বৰৰ ভিতৰত জুবিন গাৰ্গক ন্যায় দিয়াৰ আচল পদক্ষেপ এছআইটিৰ চাৰ্জশ্বীট আমি দাখিল কৰিম। একপ্ৰকাৰ ক'বলৈ গ'লে বহু বছৰ ধৰি জুবিন গাৰ্গৰ লগত হৈ থকা বহু দুখ আৰু বেদনাভৰা কাহিনী ৰাইজে গম পাব। জুবিনক ন্যায় দিয়াটো আমাৰ দায়িত্ব। সেই দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিম। জুবিন গাৰ্গৰ প্ৰসংগত কংগ্ৰেছ আৰু বিধায়ক অখিল গগৈৰ বিৰুদ্ধে সৰৱ হৈ পৰে মুখ্যমন্ত্ৰী ড° শৰ্মা। বিশেষকৈ কংগ্ৰেছে জুবিন গাৰ্গক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিব খোজা বুলি তেওঁ গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে যিসকলে জুবিন গাৰ্গৰ গান এটাও গাব নোৱাৰে বা জুবিন গাৰ্গৰ ফাংছনতো কোনোদিনে অহা নাছিল, তেনেকুৱা এচাম মানুহক কংগ্ৰেছ আৰু অখিল গগৈয়ে সমাধিক্ষেত্ৰলৈ লৈ আহে। তাৰ ফলত প্ৰকৃত অনুৰাগীসকলে তাত কষ্ট পায়। বিশেষকৈ মিঞা সমাজৰ এচাম মানুহে অযথা গধূলি সমাধিক্ষেত্ৰলৈ আহি জুবিন গাৰ্গক কষ্ট দিয়া কামটো কৰি থাকে। যদি জুবিন গাৰ্গৰ 'হুৰ হুৰ হুৰাই দে' গানটো মনত পেলায় অথবা জুবিন গাৰ্গৰ সাক্ষাৎকাৰ চায়, তেতিয়া আপোনালোকে দেখিব- অসমত মিঞা সোমাল বুলি কিমান দুখ কৰিছিল। আজি কংগ্ৰেছে জুবিন গাৰ্গক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিব খুজিছে। ইয়াৰ বিপৰীতে প্ৰতিটো পদক্ষেপতে যাতে জুবিন গাৰ্গে প্ৰকৃত সন্মান লাভ কৰে, তাৰ বাবে বিজেপিয়ে চেষ্টা কৰা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ইয়াৰ উপৰি গৌৰৱ গগৈৰ পাকিস্তান লিংক সন্দৰ্ভত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, "আপোনালোকে সাপ হৈ খুটি বেজ হৈ জাৰে। এতিয়া যদি মই গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ প্ৰসংগ উত্থাপন কৰোঁ আপোনালোকে ক'ব ইছ্যু ডাইভাৰ্ট কৰিব বিচাৰিছোঁ। এতিয়া জুবিন গাৰ্গৰ ন্যায় প্ৰথম, তাৰ পাছত গৌৰৱ গগৈক যি কৰিব লাগে কৰা হ'ব। এতিয়া অসমৰ মানুহে জুবিন গাৰ্গৰ ন্যায় বিচাৰিছে। ১০ ডিচেম্বৰত জুবিনক ন্যায় প্ৰদান কৰি পাছত গৌৰৱ গগৈৰ ফালে যাম। মই চৰাইৰ চকুটো চাইহে আগবাঢ়োঁ। যেনেকৈ দ্ৰোণচাৰ্যই অৰ্জুনক কৈছিল চকুটো চাই থাকিব লাগে। মই চকুটো চাই আছোঁ।"

# টেনিছৰ পৰা অৱসৰ

প্ৰতিযোগিতাত ভাগ লৈছিল। দুটা দশকৰ বৰ্ণিল কেৰিয়াৰত ভাৰতৰ আগশাৰীৰ পুৰুষ টেনিছ খেলুৱৈ বোপান্নাই দুটাকৈ গ্ৰেণ্ডশ্লামৰ খিতাপ জয় কৰিছিল। ২০০০ চনৰ আৰম্ভণিতে টেনিছ খেলিবলৈ আৰম্ভ কৰা বোপান্নাই ভাৰতৰ হৈ কেইবাখনো ডেভিছ কাপ আৰু অলিম্পিকত খেলিছে। ২০১৭ চনত প্ৰথমবাৰৰ বাবে তেওঁ গ্ৰেণ্ডশ্লামৰ খিতাপ জয় কৰিছিল। ফ্ৰেঞ্চ অপেনত গেব্ৰিয়েলা ডাব্ৰোস্কিৰ সৈতে মি'ড ডাবলছৰ খিতাপ জয় কৰিছিল। ইয়াৰ পিছত ২০২৪ চনত মেথিউ এবডেনৰ সৈতে যুটী বান্ধি অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষ ডাবলছৰ খিতাপ জয় কৰিছিল বোপান্নাই। ২০১৯ চনত ভাৰতৰ সৰ্বোচ্চ ক্ৰীড়া বঁটা অৰ্জুন বঁটাৰে সন্মানিত হোৱা বোপান্নাই ২০২৪ চনত পদ্মশ্ৰী বঁটাও লাভকৰিছিল। এবডেনৰ সৈতে অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষ ডাবলছৰ খিতাপ জয় কৰি বোপান্নাই আটাইতকৈ বয়সিয়াল খেলুৱৈ হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে ৪৪ বছৰ বয়সত মিয়ামি অপেন জয় কৰি মাষ্টাৰ্ছ ১০০০ খিতাপ জয় কৰা আটাইতকৈ বয়সিয়াল খেলুৱৈ হিচাপেও নজিৰ গঢ়িছিল। দুটা দশকৰ বৰ্ণিল কেৰিয়াৰত বোপান্নাই ২৬টাকৈ খিতাপ জয় কৰিছিল।

# ছিংগাপুৰৰ পৰা আহিল

অসম চৰকাৰলৈ চূড়ান্ত প'ষ্টমৰ্টেম ৰিপ'ৰ্ট আৰু টক্সিক'লজী ৰিপ'ৰ্ট পঠিয়াই দিছে। অৰ্থাৎ গুৱাহাটীত যেতিয়া দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষা জুবিন গাৰ্গৰ কৰা হৈছিল তেতিয়ালৈকে তেওঁৰ শৰীৰটো ৫-৬দিন পুৰণি হৈছিল। কিন্তু ছিংগাপুৰৰ টক্সিক'লজী ৰিপ'ৰ্ট মৃত্যুৰ ৫ মিনিটৰ ভিতৰতে প্ৰস্তুত কৰা হৈছিল। গতিকে এই প্ৰতিবেদন যথেষ্ট অ'থেন্টিক। অসম চৰকাৰৰ বিষয়াসকলে জানিবলৈ দিয়া মতে, ছিংগাপুৰ চৰকাৰে মিউচুৱেল লিগেল এছিছটেন্ট ট্ৰিটিৰ অধীনত আমাক তেওঁলোকে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন, সাগৰৰ লগত জড়িত তেওঁলোকৰ নীতি-নিয়মসমূহৰ বিশদ বিৱৰণ আৰু টক্সিক'লজীৰ ৰিপ'ৰ্ট তিনিওটাই অসম চৰকাৰলৈ প্ৰেৰণ কৰিছে। এই তিনিওটা ৰিপ'ৰ্টে আমাৰ তদন্তত যথেষ্ট সহায় কৰিব।

## ENGLISH NEWS SECTION

# Governor attends 'Amar Saheed Shraddhanjali'



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the "Amar Saheed Shraddhanjali", and paid homage to the brave sons of the State who made supreme sacrifices in defence of the nation, by laying floral wreaths at the Assam State War Memorial, in Dighalipukhuri. It may be mentioned that the initiative of Amar Saheed Shraddhanjali was approved by the Governor during a recent meeting of the State Management Committee of the Rajya Sainik Board, Assam. The event was organized by the Directorate of Sainik Welfare, Assam, inspired by the monthly homage ceremony held at the National War Memorial in New Delhi. During the occasion, Veer Matas and Veer Naris laid wreaths in honour of their brave sons and husbands who made the sacrifices in line of duty. This time Smt Mamoni Sarma, mother of Capt Gautam Sarma, Smt Thageswari Das, mother of Gunner Uddhab Das and Smt Deepali Deka Barman wife of Naib Subedar Baikuntha Barman were invited. Their participation lent deep emotional significance to the ceremony, which marked the beginning of a noble tradition of monthly tributes to the martyrs of Assam. Speaking on the occasion, Governor Shri Acharya bowed in reverence to the indomitable courage, unwavering sense of duty, and selfless devotion of the martyrs. "Though they are no longer with us physically, their bravery, patriotism, and immortal sacrifice continue to inspire us to serve our Motherland with the same dedication," the Governor stated.

# Governor attends 5th convocation of Assam Royal Global University



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 5th Convocation of Assam Royal Global University in Guwahati today.The Governor paid tribute to Sardar Vallabhbhai Patel on his 150th birth anniversary, recalling his life as an inspiration of self-confidence and service to the nation. He commended the university family in leading dedicated efforts in raising the institution to global standards while remaining rooted in Indian values. He expressed happiness that three of the university's faculty members have been ranked among the top 2 per cent of scientists globally by Stanford University. Governor Shri Acharya highlighted the significance of the National Education Policy 2020 and appreciated the state's leading role in its implementation. He said education must be globally relevant and locally connected, and urged students to apply their inherent and acquired knowledge for the betterment of society. He urged the students to remain curious, adaptable, and compassionate, and render service to society making the society worth living. Referring to the vision of Prime Minister Shri Narendra Modi to make India a developed nation by 2047, the Governor called upon the youth to contribute with determination, talent, and innovation. Shri Acharya congratulated the 1,967 graduates and 32 Ph.D. scholars, stating that their degree symbolizes both achievement and responsibility. He said, "You are the nation-builders of tomorrow, and your success will be truly meaningful when it uplifts your society and your nation." Shri Acharya also conferred the honorary degree to Dr. Naresh Trehan, Shri Sanjiv Goenka, Shri Yeshe Dorje Thongchi, and Shri Mahesh Agarwal, for their spirit of excellence and service to the nation.

# Veteran Star Dharmendra Hospitalised In Mumbai



RB News: Veteran actor Dharmendra has been admitted to Mumbai's Breach Candy Hospital. The 89-year-old has been hospitalised for the past four to five days, according to reports. Earlier this year, Dharmendra had undergone an eye graft surgery. Dharmendra was last seen in 2024 movie 'Teri Baaton Mein Aisa Uljha Jiya'.

# Former captain Azharuddin takes oath as minister in Telangana govt



RB News: Former Indian cricket team captain and Congress leader Mohammed Azharuddin on Friday took oath as a minister in the Revanth Reddy-led Telangana government. Azharuddin, who serves as the working president of the Telangana Pradesh Congress Committee, was administered the oath of office by Governor Jishnu Dev Varma at Raj Bhavan in Hyderabad. CM Reddy and other prominent leaders was also present at the event.Azharuddin's inclusion has brought the total cabinet strength to 16, leaving room for two more ministers. Telangana can accommodate up to 18 ministers based on its Assembly strength.

# Dabang Delhi KC beat Puneri Paltan in final to win Pro Kabaddi title



RB News: In the final of the Pro Kabaddi League (PKL) 2025 at Thyagaraj Sports Complex, Dabang Delhi stood tall against Puneri Paltan and clinched a 31-28 win to secure their second title. This was Delhi's second PKL title as they joined U Mumba in the list of teams to lift the trophy at home. Both teams headed into the summit clash with an aim to become only the third team in PKL history to win multiple titles after Patna Pirates and Jaipur Pink Panthers. The match witnessed so many ups and downs, but Delhi showed incredible composure towards the end to deny Puneri Paltan a second crown.

# ভাগ্যৰ ওপৰত বিশ্বাস কৰি একো লাভ নাই

আৰম্ভণি নকৰা আগতেই নিজেই পৰাজয় স্বীকাৰ কৰিছে। আপুনি যুঁজক বাৰে বাৰে তাৰ ফলাফল আপোনাৰ কৰ্ম, একাগ্ৰতা, ধৈৰ্য্য আদিৰ বলত গম পাব। এনেবোৰ দুৰ্বল বাক্য সদায় জীৱনৰ পৰা পৰিহাৰ কৰক কাৰণ এনে বাক্যই আপোনাৰ মন-মগজুত নেতিবাচক প্ৰভাৱ পেলাব পাৰে আৰু আপুনি প্ৰতিটো কাম কৰোঁতে যদি অসফল হয় এইষাৰ কথাকে মনলৈ আনিব। তাৰ ফলত আপোনাৰ দ্বাৰা সকলো কামেই আধৰুৱা নাইবা আপুনি বিফলতাৰ হোৱাৰ পিছত যুঁজিবলৈ বাদ দিব। জীৱনত সফল হোৱা প্ৰতিজন লোকেই অসফলতা দেখিছে আৰু পুনৰ যুঁজিব শিকিছে তাৰফলত নিজৰ ভাগ্য নিজেই লিখিছে।

একোজন খেলুৱৈয়ে খেলপথাৰত নমা আগতেই যদি ভাৱে মই হাৰিম বা ভাগ্যত যি আছে তাকে হ'ব তেতিয়া তেওঁ কোনোদিনে জয়ী হ'ব নোৱাৰে কাৰণ তেওঁ যুদ্ধ আৰম্ভ হোৱাৰ আগতেই মানসিকভাৱে পৰাজয় স্বীকাৰ কৰিছে। ভাগ্যক ধীৰাই থকাতকৈ নিজৰ ক্ষমতা উন্নয়ন, অভ্যাস, অধ্যয়ন, অধ্যৱসায় আৰু পৰিশ্ৰমক নিয়মিত অনুশীলন কৰিব লাগিব। তেতিয়াহে সফলতাৰ শিখৰলৈ বগাব পাৰিব।

আমি যেতিয়া নিজকে কওঁ "ভাগ্যত নাই চাগে।" তেতিয়া আমাৰ মগজুৱে কয় " হয়, আমি নোৱাৰিম আৰু মোৰ দ্বাৰা নহ'ব একো।" এনে চিন্তা আৰু মানসিকতাই আমাৰ শক্তিবোৰক মৃত্যু ঘটায়। পিছত আমি কৰ্ম আৰম্ভ কৰিলেও আমাৰ মনত ভয় আৰু দ্বিধাই মনটোক ঢাকি পেলাই ফলত আমি সদায় নিজৰ ভাগ্যখনকে দোষ দি কৰ্মৰ পৰা গা এৰা দিওঁ। এই পৃথিৱীত হাজাৰজন মানুহ আছে কিন্তু সফলতা সকলোৰে পঢ়োৱা নাই যিজনে সফলতা পাইছে তেওঁলোকে ভাগ্যৰ বাবে অপেক্ষা নকৰে, ভাগ্য তেওঁলোকে নিজেই লিখে।

জীৱনত যদি সফল হ'ব বিচাৰিছে ভাগ্যৰ বাবে অপেক্ষা নকৰিব, পৰিস্থিতিৰ ওপৰত অভিযোগ নানিব, অফলতা দেখি ভয় বা পিছুৱাই নাহিব, আনক কেতিয়াও দোষ নিদিব। প্ৰথমে নিজক বিশ্বাস কৰক আৰু নিজকে কৰ্মত মনোনিৱেশ কৰক। ভাগ্য কোনো বিধাতাই কপালত লিখা শব্দ নহয়। ভাগ্য হৈছে কপালৰ ঘাম, পৰিশ্ৰম, ধৈৰ্য্য আৰু মনোবলৰ একোটা সংমিশ্ৰণ। ভাগ্যক ধিৰাই বহি থাকি একো লাভ নাই যেতিয়ালৈকে আমি আগবাঢ়ি নাযাওঁ।





সামৰি লোৱা মুঠ মহিলা উদ্যমী প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | আগষ্ট ২০২৫ |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | ছেপ্টেম্বৰ ২০২৫ |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং চেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং বৰখোলা | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | অক্টোবৰ ২০২৫ |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বৰহমপুৰ | |
| ২৯ | ৬০ নং নগাঁও -বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ঝিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | নৱেম্বৰ ২০২৫ |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং শলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ঢেপাৰহাট | |
| ৫৪ | ৫০ নং মঙ্গলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং টিটাবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | ডিচেম্বৰ ২০২৫ |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভবানীপুৰ-সৰভোগ | |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিহপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ডেবগাঁও | ডিচেম্বৰ ২০২৫ |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | জানুৱাৰী ২০২৬ |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং শুদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পুৱ গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in


অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286